RNI TITLE CODE- ASSASS01435

# অসমীয়া বৰ্তমান

ASOMIYA BARTAMAN ■ ASSAMESE WEEKLY ■ Volume -1 ■ Issue-19 ■ Total Page-16 ■ 22 DECEMBER 2023 ■ Guwahati ■ Rs. 10/- Only

অসমীয়া বৰ্তমান ■ অসমীয়া সাপ্তাহিক ■ প্ৰথম বছৰ ■ সংখ্যা- ১৯ ■ ২২ ডিচেম্বৰ ২০২৩, শুকুৰবাৰ ■ গুৱাহাটী ■ মূল্য ঃ দহ টকা

## চুপ! সংসদ চলিছে, কোনো প্ৰশ্ন নহয়

## চৰকাৰক প্ৰশ্ন কৰাৰ অপৰাধ ১৪১ সাংসদক বহিষ্কাৰ



**বৰ্তমান সংবাদ ঃ** সংসদৰ শীতকালীন অধিৱেশনৰ অন্ত পৰাৰ নিৰ্দ্ধাৰিত তাৰিখতকৈ এদিন আগতে বৃহস্পতিবাৰে লোকসভা স্থগিত ৰখা হয়। এই কথা সদনে কেইবাখনো গুৰুত্বপূৰ্ণ বিধেয়ক অনুমোদন কৰাৰ পিছত, যেনে মুখ্য নিৰ্বাচন আয়ুক্ত আৰু নিৰ্বাচন আয়ুক্তৰ নিযুক্তি সম্পৰ্কীয় বিধেয়কসমূহৰ লগতে ১৮৬৭ চনৰ প্ৰেছ এণ্ড ৰেজিষ্ট্ৰেচন অৱ বুকছ এক্টৰ বিকল্প বিধেয়ক, ২০২৩ চনত মুখ্য নিৰ্বাচন আয়ুক্ত আৰু অন্যান্য নিৰ্বাচন আয়ুক্তৰ সেৱা, আৰু কাৰ্যকালৰ লগতে ২০২৩ চনত সাময়িকীসমূহৰ প্ৰেছ আৰু পঞ্জীয়ন বিধেয়ক বৃহস্পতিবাৰে অনুমোদন জনোৱা হয়। লোকসভাৰ অধ্যক্ষ ওম বিৰলাই প্ৰেছ আৰু সাময়িকী পঞ্জীয়ন বিধেয়ক অনুমোদন পোৱাৰ পিছতে অধিৱেশনৰ অন্ত পেলায়। বুধবাৰে সদনে আইপিচি, চিআৰপিচি, আৰু প্ৰমাণ আইনক সলনি কৰাৰ বাবে তিনিখন উল্লেখযোগ্য বিধেয়কত অনুমোদন জনায়। ৪ ডিচেম্বৰৰ পৰা আৰম্ভ হোৱা সংসদৰ শীতকালীন অধিৱেশনৰ সময়ত ১৩ ডিচেম্বৰত এক ভয়ংকৰ নিৰাপত্তাজনিত ঘটনা সংঘটিত হয়। দুজন ব্যক্তিয়ে ধোঁৱাৰ কেনিষ্টাৰেৰে সজ্জিত হৈ দৰ্শনাৰ্থীৰ গেলেৰীৰ পৰা লোকসভা চেম্বাৰত জঁপিয়াই পৰে। ক্ষিপ্ৰতাৰে তেওঁলোকক আটক কৰি ৰখা হৈছিল যদিও এই কাণ্ডই সকলো ৰাজনৈতিক দলৰ সদস্যৰ মাজত যথেষ্ট উদ্বেগ প্ৰকাশ কৰিছে। এই উচ্চ পৰ্যায়ৰ নিৰাপত্তাজনিত ভুলৰ সমাধানৰ বাবে এক সম্যক তদন্ত চলি আছে। অধিৱেশনৰ সময়ছোৱাত বিৰোধী (ত্ৰয়োদশ পৃষ্ঠালৈ)

# ৰাজ্যত ১০ লাখ লোকক নতুনকৈ ৰেচন কাৰ্ড বিতৰণৰ প্ৰস্তাৱ চৰকাৰৰ





**বৰ্তমান সংবাদ ঃ** মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কামৰূপ জিলাৰ ৰামপুৰ উন্নয়ন খণ্ডৰ অধীনৰ ওপৰহালি গাঁও পঞ্চায়তৰ আৰ বি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত 'বিকশিত ভাৰত সংকল্প যাত্ৰা'ৰ লগত সংগতি ৰাখি অনুষ্ঠিত সভাত অংশগ্ৰহণ কৰে। এই উপলক্ষে প্ৰদান কৰা ভাষণত মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে যোৱা 15 নৱেম্বৰ তাৰিখে জনজাতীয় গৌৰৱ দিৱস উপলক্ষে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে 'বিকশিত ভাৰত সংকল্প যাত্ৰা'ৰ শুভাৰম্ভ কৰিছিল। চৰকাৰী আঁচনিসমূহৰ সুবিধা এশ শতাংশ হিতাধিকাৰীকে সময়োচিতভাৱে প্ৰদান কৰা আৰু যিসকল যোগ্য লোক এতিয়াও চৰকাৰী আঁচনিৰ সুবিধাৰ পৰা বঞ্চিত হৈ আছে তেওঁলোকক আঁচনিৰ আওতালৈ আনি আঁচনিসমূহৰ পৰিপূৰ্ণতা লাভৰ লক্ষ্যৰে এই সংকল্প যাত্ৰা ৰূপায়ণ কৰা হৈছে। ভাষণত বিভিন্ন আঁচনিৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে কয় যে প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধি আঁচনিৰ জৰিয়তে প্ৰতিজন কৃষকক 2 হেজাৰ টকাকৈ তিনিটা কিস্তিত মুঠ ছহেজাৰ টকা আগবঢ়োৱা হৈছে। আন ৰাজ্যৰ প্ৰায়সকল কৃষকে এই আঁচনিৰ সুযোগ লাভ কৰিছে। উত্তৰ প্ৰদেশত এই আঁচনিৰ অধীনত দুই কোটি কৃষকে বছৰি ছহেজাৰ টকাকৈ লাভ কৰিছে। তেওঁ কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰে কাৰ্যভাৰ লোৱাৰ সময়ত অসমত মাত্ৰ 2 লাখ কৃষকে এই প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধিৰ সুযোগ লাভ কৰিছিল। কিন্তু যোৱা তিনি বছৰত চৰকাৰৰ আপ্ৰাণ চেষ্টাৰ ফলত 11 লাখ কৃষকে প্ৰধানমন্ত্ৰীৰ কৃষক সন্মান নিধি লাভ কৰিবলৈ সক্ষম হৈছে। তেওঁ কয় যে ইয়াত কোনো নিৰ্দ্ধাৰিত লক্ষ্য নাথাকে। অসমত থকা 25 লাখ কৃষকে যদি নিয়ম মতে আৱেদন কৰে তেন্তে এই আঁচনিৰ সুবিধা ল'ব পাৰিব। বৰ্তমানলৈকে প্ৰধানমন্ত্ৰীৰ কৃষক সন্মান নিধিৰ জৰিয়তে 15 টা কিস্তিত অসমৰ কৃষকসকললৈ 4,800 কোটি টকা আদায় দিয়া হৈছে বুলি সদৰি কৰি তেওঁ লগতে কয় যে পলাশবাৰী অঞ্চলত এনে বহুত কৃষক আছে যিসকলে এই আঁচনিখনৰ বিষয়ে অবগত নহয় তথা আৱেদনো কৰা নাই। তেনে কৃষকসকলক বিকশিত ভাৰত সংকল্প যাত্ৰাৰ সময়ত নিজৰ নাম পঞ্জীয়ন কৰিলে সংশ্লিষ্ট বিভাগে তেওঁলোকৰ ঘৰলৈ গৈ প্ৰধানমন্ত্ৰী কৃষক সন্মান নিধিৰ হিতাধিকাৰী হিচাপে অন্তৰ্ভূক্ত কৰিব বুলি মুখ্যমন্ত্ৰীয়ে কয়। প্ৰধানমন্ত্ৰীৰ আবাস যোজনা আঁচনিখনৰ সন্দৰ্ভত মুখ্যমন্ত্ৰী গৰাকীয়ে কয় যে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কেঁচা ঘৰ থকা প্ৰতিগৰাকী ব্যক্তিক পকীঘৰ দিয়াৰ ব্যৱস্থা কৰিছে। যিসকলে প্ৰধানমন্ত্ৰী আৱাস যোজনাৰ ঘৰ পোৱা নাই তেওঁলোকে নাম পঞ্জীয়ন কৰিব পাৰিব। পিছত সংশ্লিষ্ট বিভাগে পৰীক্ষা কৰি যোগ্য ব্যক্তিগৰাকীক ঘৰ আৱণ্টন দিয়াৰ ব্যৱস্থা কৰিব। তেওঁ কয় যে ন্যায়সংগত যিসকল হিতাধিকাৰী বাদ পৰি গৈছে তেওঁলোকে এই বিকশিত ভাৰত সংকল্প যাত্ৰাৰ নাম পঞ্জীয়ন কৰি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰিব। মুখ্যমন্ত্ৰীগৰাকীয়ে আৰু কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰে ৰেচন কাৰ্ড থকা সকলো পৰিয়ালক আয়ুষ্মান ভাৰত কাৰ্ড দিয়াৰ ব্যৱস্থা কৰিছে। (চতুৰ্দশ পৃষ্ঠালৈ)

## সূৰ্য্য উদয়ৰ পূৰ্বেই ছাত্ৰ-ছাত্ৰী সকলে বিছনাৰ পৰা শুই উঠিব লাগিব ঃ ৰমানন্দ বৰ্মন




**মুকালমুৱাৰ পৰা সুৰজিত পাঠক ঃ** নলবাৰী জিলাৰ বৰক্ষেত্ৰী শিক্ষাখণ্ডৰ অন্তৰ্গত চান্দা প্ৰাথমিক বিদ্যালয়ত আজি কালাৰদিয়া প্ৰাথমিক বিদ্যালয় আৰু চান্দা প্ৰাথমিক বিদ্যালয়ৰ যৌথ প্ৰচেষ্টাৰে দিনজোৰা কাৰ্যসূচীৰে বন্ধু কাৰ্যসূচী সম্পন্ন হয়। সেই উদ্দেশ্যৰে চান্দা প্ৰাথমিক বিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি জগদীশ দাসৰ সভাপতিত্বত অনুষ্ঠিত হয় মুকলি সভা আৰু বঁটা বিতৰণী সভা।

# মুকালমুৱাৰ চান্দা প্ৰাথমিক বিদ্যালয়ত দুই বিদ্যালয়ৰ বন্ধু কাৰ্যসূচী

কালাৰদিয়া প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক হীতেনলাল বৰ্মনে উদ্দেশ্য ব্যাখ্যা কৰা মুকলি সভাত বিদ্যালয় দুখনৰ কেইবাগৰাকীও ছাত্ৰ-ছাত্ৰীয়ে গীত, নৃত্য, কবিতা আবৃত্তি কৰি নিজ নিজ প্ৰতিভা সমূহ প্ৰদৰ্শন কৰে। চান্দা প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষক দিকম চৌধুৰীয়ে আঁত ধৰা সভাত আমন্ত্ৰিত অতিথি হিচাপে উপস্থিত থাকি ছাত্ৰ-ছাত্ৰী সকলে উপকৃত হ'ব পৰাকৈ ভাষণ প্ৰদান কৰে শংকৰদেৱ শিশু বিদ্যা নিকেতন, বৰতলাৰ আচাৰ্য্য ক্ৰমে ৰমানন্দ বৰ্মন, ইছমাইল হুছেইন আৰু বৰতলা উচ্চমাধ্যমিক বিদ্যালয়ৰ শিক্ষক কাচেম আলীয়ে। শংকৰদেৱ শিশু বিদ্যা নিকেতন বৰতলাৰ আচাৰ্য ৰমানন্দ বৰ্মনে ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক দিশৰ সমান্তৰালভাবে ছাত্ৰ-ছাত্ৰী সকলৰ দক্ষতা দেখি অভিভূত হোৱা বুলি মন্তব্য কৰে। ৰমানন্দ বৰ্মনে ছাত্ৰ-ছাত্ৰীসকলক সূৰ্য্য উদয়ৰ পূৰ্বেই বিছনাৰ পৰা শুই উঠাৰ অভ্যাস গঢ়ি তুলিবলৈ আহ্বান জনায় কাহিলী পুৱাৰ নিৰ্মল বায়ু সেৱন কৰিলে মানুহ শক্তিশালী হয় বুলি কয়। তেওঁ লগতে ছাত্ৰ-ছাত্ৰীসকলক চৰাইৰ দৰে হ'ব লাগে বুলি কয়। যাতে চৰাইৰ দৰে উৰি ফুৰিব পাৰি। কাচেম আলীয়ে ভাষণ প্ৰসংগত ছাত্ৰ-ছাত্ৰীসকলক ম'বাইল ফোন চোৱাৰ অভ্যাস আঁতৰাই কিতাপ পঢ়াত মনোনিৱেশ কৰিবলৈ আহ্বান জনায়। সাধু কিতাপ, মহৎ লোক বাণীৰ দৰে কিতাপ পঢ়িলে অধিক জ্ঞান অৰ্জন কৰিব পাৰি বুলি কয়। কাচেম আলীয়ে ছাত্ৰ-ছাত্ৰীসকলক গছ-গছনি আৰু প্ৰকৃতিক ভাল পাবলৈ আহ্বান জনায়। সভাত কালাৰদিয়া প্ৰাথমিক বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে ক'লাজ প্ৰদৰ্শন কৰে। মুকলি সভাৰ অন্তিম কাৰ্যসূচী মৰ্মে দুয়োখন বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে বাৰ্ষিক খেল ধেমালিত দেখুওৱা পাৰদৰ্শিতাৰ বাবে পুৰস্কাৰ প্ৰদান কৰে। কালৰদিয়া প্ৰাথমিক বিদ্যালয়ৰ বঁটা প্ৰদান অনুষ্ঠানটো পৰিচালনা কৰে বিদ্যালয়ৰ শিক্ষয়িত্ৰী জগদীশ হালৈ আৰু মৰিছা বেঁশ্যই। আনহাতে চান্দা প্ৰাথমিক বিদ্যালয়ৰ বঁটা প্ৰদান অনুষ্ঠানটো পৰিচালনা কৰে বিদ্যালয়ৰ শিক্ষক-শিক্ষয়িত্ৰী ক্ৰমে মৃগেন ডেকা, ববিতা ডেকাই। তদুপৰি দুয়োখন বিদ্যালয়ৰ শ্ৰেণীত স্থানপ্ৰাপ্ত ছাত্ৰ-ছাত্ৰীসকলকো পুৰস্কৃত কৰে বঁটা প্ৰদান অনুষ্ঠানত ।

# ছাত্ৰ-ছাত্ৰীলৈ মুখ্যমন্ত্ৰীৰ বাৰ্তা, অধ্যয়নমুখী হওক



**বৰ্তমান সংবাদ ঃ** মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি বেতকুছিস্থিত ৰ'য়েল গ্লবেল ইউনিভাৰচিটিত অনুষ্ঠিত এক কাৰ্যসূচীত বিশ্ববিদ্যালয়খনৰ জি, এইছ আৰু আই একাডেমীক ব্লকৰ শুভ উদ্বোধন কৰে। উল্লেখ্য যে অত্যাধুনিক সুবিধা বিশিষ্ট এই একাডেমীক ব্লক আঠ মাহৰ ভিতৰতে সম্পূৰ্ণ কৰা হৈছে। মুখ্যমন্ত্ৰীয়ে এই ভ্ৰমণকালত শৈক্ষিক পৰিৱেশ বিকশাই তোলাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দি গঢ়ি তোলা চতুৰ্থ মহলাও পৰিদৰ্শন কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে এই নতুন একাডেমীক ব্লক নিৰ্মাণ কৰাৰ বাবে ৰ'য়েল গ্লবেল ইউনিভাৰচিটি কৰ্তৃপক্ষক অভিনন্দন জনায়। তেওঁ কয় যে এই অত্যাধুনিক একাডেমীক ব্লকটোৱে ছাত্ৰ-ছাত্ৰীসকলৰ শৈক্ষিক আকাংক্ষা পূৰণত সহায়ক হৈ উঠিব। তেওঁ লগতে কয় যে এই শৈক্ষিক ভৱনত থকা সুবিধাসমূহে ছাত্ৰ-ছাত্ৰীসকলৰ মানসিক উৎকৰ্ষ সাধন কৰা আৰু তেওঁলোকৰ সপোনক বাস্তৱায়িত কৰাৰ দিশতো নিশ্চিতভাৱে প্ৰভাৱ পেলাব।

ভাৰত এখন যুৱ প্ৰজন্মৰ দেশ বুলি অভিহিত কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ছাত্ৰ-ছাত্ৰীসকলে দেখুওৱা গুণগত মানৰ ওপৰতে ৰাষ্ট্ৰৰ ভৱিষ্যৎ নিৰ্ভৰশীল। মুখ্যমন্ত্ৰীয়ে কয় যে অভিজ্ঞ অধ্যাপকসকলকে ধৰি শক্তিশালী আন্তঃগাঁথনি তথা শৈক্ষিক সুবিধা থকা ৰ'য়েল গ্লবেল ইউনিভাৰচিটিয়ে কৃত্ৰিম বুদ্ধিমত্তা, মেচিন লাৰ্ণিং, ব্লক চেইন, বীগ ডাটা এনালাইছিচ, মোবাইল ইণ্টাৰনেট, ইণ্টাৰনেট অৱ থিংছ আদিৰ দৰে শেহতীয়া প্ৰযুক্তিগত দিশসমূহ আয়ত্ত কৰাৰ দিশত ছাত্ৰ-ছাত্ৰীসকলক অধিক আগ্ৰহী কৰি তুলিব লাগিব। ইয়াৰ ফলত ছাত্ৰ-ছাত্ৰীসকলে বৰ্তমানৰ পৃথিৱীখনৰ মুখামুখী হ'বলৈ দক্ষ হৈ পৰিব বুলিও তেওঁ কয়।

ভাৰতক বিশ্বগুৰু হিচাপে পৰিগণিত কৰাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চলোৱা প্ৰচেষ্টাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ভাৰতীয় সংস্কৃতিৰ আধাৰত নিজকে বিকশাই তোলাৰ বাবে ছাত্ৰ-ছাত্ৰীসকলক আহ্বান জনায়। সংস্কাৰ আৰু সংস্কৃতিৰ বিষয়ে উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে মানৱ সম্পদত অতিশয় চহকী ভাৰতবৰ্ষই মূল্যবোধৰ ভিত্তিত মানৱ সম্পদ বিকাশৰ দিশত বিশ্বৰ অন্যান্য ৰাষ্ট্ৰসমূহলৈও গুৰুত্বপূৰ্ণ অৱিহণা আগবঢ়াব পাৰে। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক সামাজিক, সাংস্কৃতিক আৰু শৈক্ষিকভাৱে শক্তিশালী হৈ বিকশিত ভাৰত গঢ়াৰ দিশত অৱিহণা আগবঢ়াবলৈও আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে কয় যে ছাত্ৰ জীৱনেই হৈছে জীৱনৰ আটাইতকৈ গঠনমূলক সময়। তেওঁ ছাত্ৰ-ছাত্ৰীসকলক নিজৰ সপোনক বাস্তৱায়িত কৰাৰ বাবে আত্মবিশ্বাস আৰু আত্মনিয়ন্ত্ৰণ ৰক্ষা কৰি লক্ষ্যত উপনীত হ'বলৈও কয়। তেওঁ লগতে কয় যে ছাত্ৰ-ছাত্ৰীসকলে সদায়ে তেওঁলোকৰ পৰিয়ালৰ সামূহিক আকাংক্ষাক প্ৰতিনিধিত্ব কৰে। মুখ্যমন্ত্ৰীয়ে সুস্থ চৰিত্ৰ গঢ়ি তুলি সকলোধৰণৰ নেতিবাচক দিশৰ পৰা আঁতৰি থাকি নিজৰ সপোনক (চতুৰ্দশ পৃষ্ঠালৈ)

## ডিব্ৰুগড়ত বিজ্ঞান সমিতিৰ উদ্যোগত জয়শ্ৰী মেধি স্মৃতি বক্তৃতানুষ্ঠান সম্পন্ন




**বৰ্তমান সংবাদ, ডিব্ৰুগড় ঃ** ডিব্ৰুগড় বিজ্ঞান সমিতি আৰু কানৈ মহাবিদ্যালয়ৰ উদ্যোগৰ লগতে জয়শ্ৰী মেধি পৰিয়ালৰ সহযোগত" জয়শ্ৰী মেধি স্মৃতি বক্তৃতানুষ্ঠান আৰু ৰচনা প্ৰতিযোগিতাৰ বঁটা প্ৰদান অনুষ্ঠান" কানৈ মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ প্ৰেক্ষাগৃহত অনুষ্ঠিত হৈ যায়। বহুসংখ্যক ছাত্ৰ-ছাত্ৰী আৰু বিশিষ্ট ব্যক্তিৰ উপস্থিতিত অনুষ্ঠিত গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত পৌৰোহিত্য কৰে ডিব্ৰুগড় বিজ্ঞান সমিতিৰ সভাপতি ড ঃ ভাৰতী দত্তই। প্ৰয়াত জয়শ্ৰী মেধিৰ সম্পৰ্কত বক্তব্য আগবঞ্জায় সম্পাদন নাছিৰ চুলতানে। প্ৰয়াত জয়শ্ৰী মেধিৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্জলন কৰে সভাপতিয়ে। শ্ৰদ্ধাঞ্জলি নিবেদন কৰে প্ৰয়াত মেধিৰ স্বামী, প্ৰখ্যাত চিকিৎসক ডাঃ ৰমা প্ৰসাদ মেধি, ড ঃ পৰমানন্দ মহন্ত আৰু ডঃ প্ৰদীপ কুমাৰ ভূএগ্ৰা আদি বিশিষ্ট ব্যক্তিসকলে। জ্যোতি প্ৰাৰ্থনা কৰে বিজয়লক্ষ্মী শৰ্মা গোস্বামীয়ে। নিৰ্দিষ্ট বক্তা, বিশিষ্ট পদাৰ্থ বিজ্ঞানী ড ঃ প্ৰদীপ কুমাৰ ভূএগ্ৰাৰ জীৱন তথা বিদ্যায়তনিক দিশত আলোকপাত কৰে ড ঃ চুলতানা হাজৰিকাই। বায়ুমণ্ডলীয় বিজ্ঞানৰ এগৰাকী পণ্ডিত, গৱেষক বিজ্ঞানী গৰাকীয়ে জলবায়ু পৰিৱৰ্তন সম্পৰ্কে 'পাৱাৰ পইণ্ট প্ৰেজেণ্টেছন'ৰ জৰিয়তে জলবায়ু পৰিৱৰ্তনৰ কাৰণ আৰু উষ্ণতা বৃদ্ধিৰ তথ্য ভিত্তিক প্ৰমাণ উপস্থাপন কৰে। মানৱৰ কাৰ্যকলাপৰ ফলত "সেউজ গৃহ গেছ"ৰ বৃদ্ধিৰ ফলত বায়ুমণ্ডলৰ উষ্ণতা বৃদ্ধিৰ বিস্তৃত ব্যাখ্যা কৰাৰ লগতে উষ্ণতা বৃদ্ধিৰ প্ৰাকৃতিক কাৰণবো ব্যাখ্যা আগবঢ়ায় বিজ্ঞানী গৰাকীয়ে। প্ৰায় ৪৫ মিনিট জুৰি প্ৰদান কৰা বক্তৃতাই সকলোকে উপকৃত কৰে। অন্ধবিশ্বাস দূৰীকৰণত বিজ্ঞান বিষয়ৰ ৰচনা প্ৰতিযোগিতাত স্নাতক পৰ্যায়ৰ ছাত্ৰ-ছাত্ৰীসকলে অংশগ্ৰহণ কৰিছিল। তিনিগৰাকী বিজয়ী প্ৰতিযোগী হ'ল যথাক্ৰমে-পূজা দত্ত, ফাহনাজ বেগম (দুয়ো মনোহাৰী দেৱী মহিলা মহা বিদ্যালয়), পঁজাহত টাস্কিন, ডি, এইছ, এছ কে আইন মহাবিদ্যালয়। উদগনি বঁটা লাভ কৰে মনোহাৰী দেৱী মহাবিদ্যালয়ৰে লিজা চুতীয়াই। অনুষ্ঠানত কেওগৰাকীকে প্ৰশংসাপত্ৰ আৰু নগদ ধনেৰে উৎসাহিত কৰা হয়। বঁটা বিতৰণী অনুষ্ঠানটি পৰিচালনা কৰে বিজ্ঞান সমিতিৰ কাৰ্যকৰী সভাপতি সুদক্ষিনা দাসে। সভাত অনুভৱ ব্যক্ত কৰে যথাক্ৰমে কানৈ কলেজৰ অধ্যক্ষ ড ঃ শশীকান্ত শইকীয়া, ডা ঃ ৰমা প্ৰসাদ মেধি (চতুৰ্দশ পৃষ্ঠালৈ)

## ২৩ - ২৫ ডিচেম্বৰত চপাই বিনোৱা প্ৰাথমিক বিদ্যালয়ৰ ১২৫ বছৰীয়া জয়ন্তী

**বৰ্তমান সংবাদ, মঙলদৈ ঃ** মঙলদৈ চহৰৰ নিকটৱৰ্তী চপাই বিনোৱা প্ৰাথমিক বিদ্যালয়ৰ ১২৫ বছৰীয়া জয়ন্তী অহা ২৩, ২৪ আৰু ২৫ ডিচেম্বৰত বিদ্যালয় প্ৰাংগনত অনুষ্ঠিত হ'ব। সম্পাদক ৰমেশ চহৰীয়াই জনোৱা মতে, ২৩ ডিচেম্বৰৰ পুৱা ৭.৩০ বজাত গাওঁ প্ৰধান ক্ৰমে - লক্ষণ চন্দ্ৰ ডেকা, সতীশ ডেকা, হিতেশ কুমাৰ শৰ্মাৰ নেতৃত্বত পৰিবেশ নিকাকৰণ সম্পন্ন হোৱাৰ পিছত উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি বলোৰাম ডেকাই বন্তি প্ৰজ্বলন, সভাপতি ডাঃ অৰবিন্দ ডেকাই মুল পতাকা উত্তোলন, বিশিষ্ট ব্যক্তিৰ জৰিয়তে ১২৪ খন পতাকা উত্তোলন, মঙলদৈ বিদ্যাপীঠ হাইস্কুলৰ অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক তথা চপাই সাহিত্য সভাৰ সভাপতি সূৰ্য্য কুমাৰ ডেকাই স্মৃতি তৰ্পণ, বিশিষ্ট কৃষক মাণিক চন্দ্ৰ ডেকাই বিশিষ্ট সমাজসেৱক তিলক চন্দ্ৰ ডেকাই আগবঢ়োৱা স্থায়ী তোৰণ উন্মোচন, অৱসৰপ্ৰাপ্ত সেনা বিষয়া, প্ৰাক্তন ছাত্ৰ সভাৰাম কেওটে গছপুলি ৰোপণ কৰিব। দিনৰ ৰচ বজাত বৰ্তমানৰ ছাত্ৰ ছাত্ৰী, শিক্ষক- শিক্ষয়িত্ৰী, অভিভাৱকৰ 'স্মৃতি এবেলা' শীৰ্ষক অন্তৰংগ আলাপ অনুষ্ঠান হ'ব। সন্ধিয়া ১২৫ গছি বন্তি প্ৰজ্বলন কাৰ্যসূচী শুভাৰম্ভ কৰিব সমাজসেৱক ভূমিধৰ নাথে। সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব প্ৰাক্তন ছাত্ৰ, হোমগাৰ্ডৰ কামৰূপ জিলাৰ কমাণ্ডেণ্ট বসন্ত শৰ্মাই। ২৪ ডিচেম্বৰৰ পুৱা ১০ বজাত অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী ৰুণু দেৱীৰ সঞ্চালনাত হ'বলগীয়া প্ৰাক্তন ছাত্ৰ - ছাত্ৰী, প্ৰাক্তন গুৰুমণ্ডলীৰ অন্তৰংগ আলাপ অনুষ্ঠান উদ্বোধন কৰিব ভকতপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত বিষয় শিক্ষক লক্ষীকান্ত শৰ্মাই। সন্ধিয়া কুটিৰ শিল্পী জীৱন চন্দ্ৰ ডেকাই বন্তিপ্ৰজ্বলন আৰু গীতিকাৰ, সাহিত্যিক, চপাই মৌজাৰ মৌজাদাৰ প্ৰভাত চৌধুৰীয়ে সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব। ২৫ ডিচেম্বৰৰ পুৱা ৯ বজাত ভকতপাৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ (চতুৰ্দশ পৃষ্ঠালৈ)

# সম্পাদকীয়

অসমীয়া বৰ্তমান, ২২ ডিচেম্বৰ, ২০২৩

## ’২৪ ৰ যুঁজ

দেশৰ লোকসভা নিৰ্বাচন অহা ২০২৪ ত । ইতিমধ্যে আসন্ন সাধাৰণ নিৰ্বাচনক লৈ ৰাজনৈতিক দলসমূহৰ মাজত তৎপৰতাও আৰম্ভ হৈছে। দেশত বৰ্তমান ক্ষমতাত অধিষ্ঠিত হৈ থকা বিজেপি নেতৃত্বাধীন এন ডি এক ওফৰাবলৈ বিভিন্ন ৰাজনৈতিক গুণাগথাও চলিছে। ইয়াৰ মাজতে বিজেপিক একাষৰীয়া কৰিবৰ বাবে বিজেপিবিৰোধী বিভিন্ন ৰাজনৈতিক শক্তিক একত্ৰিত কৰাৰ এটা প্ৰচেষ্টাও চলি আছে। ক্ষমতাত অধিষ্ঠিত ৰাষ্ট্ৰীয় গণতান্ত্ৰিক মৰ্চাক ওফৰাবলৈ হ’লে দেশত বৃহৎ জোঁটবন্ধন হবই লাগিব বুলি ইতিমধ্যে প্ৰায় সকলো ৰাজনৈতিক নেতৃত্বই উপলব্ধি কৰিছে। সেই উদ্দেশ্যেই বিভিন্ন আঞ্চলিক শক্তিক একত্ৰিত কৰি এখন শক্তিশালী অবিজেপি মঞ্চ তৈয়াৰ কৰিবৰ বাবে কংগ্ৰেছকে ধৰি বিভিন্ন ৰাষ্ট্ৰীয় ৰাজনৈতিক দলৰ নেতৃবৰ্গই প্ৰচেষ্টা অব্যাহত ৰাখিছে। আঞ্চলিক শক্তিসমূহৰ মাজতো বিজেপিক বাদ দি চৰকাৰ গঠন কৰিব পৰা যাব নে নাযায় সেই সম্পৰ্কে বিভিন্ন সমীকৰণ আৰম্ভ হৈছে। ইয়াকে দেখি এনডিএৰ শিবিৰো অধিক যুযুধান হৈ পৰিছে। প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু বিজেপিৰ ৰাষ্ট্ৰীয় সভাপতি অমিত শ্বাহে ইতিমধ্যে সাধাৰণ নিৰ্বাচনলৈকে সমগ্ৰ দেশৰ সকলো প্ৰান্ত সামৰি গণসমাৰেশ অনুষ্ঠিত কৰাৰ বাবে আঁচনি হাতত লৈছে। এনে আঁচনিৰ অংশ হিচাপে প্ৰধান মন্ত্ৰী মোদীয়ে অভিযান আৰম্ভ কৰিছে আৰু বৰ্তমান তেওঁ তৃণমূল কংগ্ৰেছৰ নেত্ৰী মমতা বেনাৰ্জীক আক্ৰমণৰ প্ৰধান লক্ষ্য কৰি লোৱা দেখা গৈছে। পশ্চিমবংগত নিৰ্বাচনী ৰণশিঙা বজাই যোৱা সোমবাৰে এক বিশাল সমাৰেশত ৰাজ্যখনৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীক ক্ষুৰধাৰ সমালোচনা কৰে। তেওঁ মমতা চৰকাৰৰ ওপৰত গণতন্ত্ৰৰ টেঁটু চেপা বুলি অভিযোগ উত্থাপন কৰিছে। অকল ইমানেই নহয়, প্ৰধানমন্ত্ৰী মোদীয়ে মমতা বেনাৰ্জীৰ বিৰুদ্ধে আৰু কেতবোৰ এনে গুৰুতৰ অভিযোগ উত্থাপন কৰিছে যে ইয়াৰ পৰাই সাধাৰণ মানুহে এই কথা সহজে অনুমান কৰি ল’ব পাৰে যে অহা সাধাৰণ নিৰ্বাচনত নৰেন্দ্ৰ মোদীৰ সন্মুখত মমতা বেনাৰ্জী নিতান্তই এক শক্তিশালী প্ৰত্যাহ্বান। ৰাজ্যসভা আৰু লোকসভাত শক্তিশালী স্থিতিৰে দলটো ইতিমধ্যেই দেশৰ অন্যতম শক্তিত পৰিণত হোৱাৰ কথা ইতিমধ্যে ছোনিয়া গান্ধীয়েও সংবাদমেলত একাধিকবাৰ স্বীকাৰ কৰিছে। ছোনিয়াই আনকি এই বুলিও কৈছিল যে কেন্দ্ৰত অবিজেপি চৰকাৰ গঠন কৰিবলৈ হ’লে এন ডি এক প্ৰত্যাহ্বান জনাব পৰাকৈ মহাজোঁট গঠন হ’বই লাগিব। তেওঁ এই কথাও ইতিমধ্যেই ঘোষণা কৰিছে যে মমতা বেনাৰ্জীক বাদ দি দেশত আজিৰ তাৰিখত মহাজোঁট সম্ভৱ নহয়। যদি সেয়ে হয়, তেন্তে বৰ্তমান ৰাজনৈতিক পৰিস্থিতিত প্ৰধানমন্ত্ৰী হিচাপে নৰেন্দ্ৰ মোদীৰ বিকল্পৰ কথা যদি চিন্তা কৰা হয়, তেতিয়া ৰাজনৈতিক দৃশ্যপটলৈ যিকেইখন মুখ আহিব, তাৰ ভিতৰত মমতা বেনাৰ্জীও নিঃসন্দেহে থাকিব। ইতিমধ্যে সমাজবাদী পাৰ্টী, বহুজন সমাজ পাৰ্টী, লোক জনশক্তি পাৰ্টী, তেলুগু দেশম পাৰ্টী, তেলেংগানা ৰাষ্ট্ৰ সমিতি, আৰ জে ডি আদি বিভিন্ন আঞ্চলিক ৰাজনৈতিক শক্তিৰ লগতে দেশৰ বিভিন্ন ৰাজ্যত ৰাজনৈতিক দৃশ্যপটত শক্তিশালী ভূমিকা পালন কৰিব পৰা বিভিন্ন শক্তিৰ সৈতে মোকাবিলা কৰাৰ (ত্ৰয়োদশ পৃষ্ঠালৈ)

# প্ৰথিতযশা গল্পকাৰ মহিম বৰাৰ ‘কাঠনিবাৰী ঘাট’

■ জ্ঞানলতা বৰা

স্বাজোত্তৰ যুগৰ অসমীয়া সাহিত্য কাননক ঐকান্তিক নিষ্ঠাৰে জীপাল কৰি তোলা প্ৰথিতযশা গল্পকাৰ গৰাকী হ’ল মহিম বৰাদেৱ। বৃত্তিত তেওঁ আছিল নগাঁও মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ প্ৰাক্তন অধ্যাপক। গতিকে শিক্ষাজীৱী হ’লেও সাহিত্যপ্ৰেমী তথা সৃষ্টিশীল লেখক হিচাপে অসমৰ এজন অন্যতম প্ৰথম শ্ৰেণীৰ গল্পকাৰ হিচাপে সৰ্বজনবিদিত।

ৰামধেনু যুগৰ অন্যান্য বিখ্যাত গল্পকাৰসকলৰ ভিতৰত মহিম বৰা নিঃসন্দেহে অন্যতম। গ্ৰাম্য লোকজীৱনৰ অন্যতম প্ৰতিনিধি তথা তেনেকুৱা সমাজক নিকটৰ পৰা প্ৰত্যক্ষ কৰিবলৈ তেওঁ সক্ষম হৈছিল। লগতে তেনেকুৱা সমাজতে বিচৰণ কৰি সুদক্ষ হাতৰ পৰশত অসমৰ গ্ৰাম্য জীৱনৰ নিভাঁজ আৰু নিখুঁত ছবি অংকিত কৰিছিল। বেছিভাগ গল্পৰে পটভূমি অসমৰ গ্ৰাম্য লোকজীৱন। তেওঁৰ গল্পৰ কাহিনী, বিষয়, পৰিৱেশ, পৰিস্থিতি, ঘটনা -পৰিঘটনা আদি গ্ৰামীণ অসমৰ পৰা গ্ৰহণ কৰিছে। তেওঁৰ গল্প সমগ্ৰত মুঠ ৫৪ টা গল্প সন্নিৱিষ্ট কৰা হৈছে। আটাইবোৰ গল্পৰ মান সমপৰ্যায়ৰ নহয় যদিও বহুকেইটা গল্প যথেষ্ট উচ্চ পৰ্যায়ৰ। কম সংখ্যক গল্প লিখি মহিম বৰা অসমীয়া সাহিত্যক প্ৰচুৰ সমৃদ্ধ কৰা এগৰাকী বিখ্যাত গল্পকাৰ। গ্ৰামীণ অসমৰ ৰীতি-নীতি, অভ্যাস -পৰম্পৰা, ভাষা -সংস্কৃতি আদিক বিস্তৰ অধ্যয়ন কৰি গভীৰ সহানুভূতিৰে সিবিলাকক বুজি পাইছিল আৰু বিচিত্ৰ ৰূপত গল্পত দাঙি ধৰিছিল। তেওঁৰ গল্পবোৰৰ প্ৰকাশভংগীত লোকভাষাৰ প্ৰাচুৰ্য অধিক। বিষয়বস্তু ৰসাল, প্ৰাণধৰ্মী কৰি তোলাৰ বাবেই লোকভাষা ব্যৱহাৰ কৰা হৈছে। তেওঁৰ গল্পসমূহ পাঠক সমালোচকৰ মাজত বিশেষভাৱে সমাদৃত আৰু চৰ্চিত।

মহিম বৰাৰ নামটোৰ লগে-ভাগে লৰি আহে ‘কাঠনিবাৰী ঘাট ’। গল্পটোৰ জনপ্ৰিয়তাই এতিয়ালৈকে নিশ্চয় তাৰ শেষ সীমা চুলেগৈ। গল্পটো থুলমূল কৈ এনেধৰণৰ -

শিলঘাট অভিমুখী জাহাজৰ অপেক্ষাত ‘কাঠনিবাৰী ঘাট’ত থকা যাত্ৰীসকলৰ মাজত আছিল- গল্পৰ নায়ক আৰু বৰুণ নামৰ এজন ডেকা তথা সেই বৰুণৰ নৱবিবাহিতা বায়েক। অচিনাকি হৈও গল্পৰ নায়কে বৰুণ আৰু বৰুণৰ বায়েকৰ সৈতে চিনাকি আপোনভাৱেৰে সিক্ত কেইটামান মুহূৰ্ত পাৰ কৰিছে। সেইদিনা সময়মতে জাহাজ নাহিল। জাহাজখন ক’ৰবাত বালিচৰত লাগি ধৰাৰ ফলত। গল্পৰ নায়কে বৰুণ আৰু বৰুণৰ বায়েকৰ সৈতে কথা-বতৰা বিনিময় কৰি গম পালে বৰুণৰ ভিনিহেকৰ চাইকেল এক্সিডেণ্ট হৈছে। টেলিগ্ৰাম কৰি মাতি পঠাইছে। তেওঁলোকৰ বাবে জাহাজ যিমান সোনকালে পাৰে আহিলেই হ’ল। যথাসময়ত জাহাজ নহাত যাত্ৰীসকলে জাহাজৰ বোথতে যেনেকৈ পাৰে লাগেজ খুলি বিছনা পাৰি শুই পৰিছে। অৱশেষত জাহাজ অহাৰ মাত শুনা গৈছে। সকলো যাত্ৰী যাবৰ বাবে সাজু হৈছে। কিন্তু জানিব পৰা গ’ল জাহাজৰ কিবা বিজুতি ঘটিছে। মেৰামতি কৰিব লাগিব। ইতিমধ্যে ৰাতি পুৱাইছে। জাহাজত মামুও আহিছিল। বৰুণৰ বায়েকৰ সম্বন্ধীয় দেওৰেক। মেৰামতি কৰি জাহাজ যোৱালৈ পলম হ’ব বুলি ভাবি মামুৱে নাও ভাড়া কৰি যোৰহাটলৈ যোৱাৰ কথা কৈছে। নাও শিলঘাট চাপিছে। বৰুণ আৰু বায়েকৰ সৈতে গল্পৰ নায়কৰ এৰাএৰি হৈছে। মটৰৰ হৰ্ণ বাজি আছে। ছেকেণ্ড ছিটত বৰুণ আৰু বায়েক বহি লৈছে। কিন্তু মামু চাহদোকানৰ পৰা উঠিবই নোখোজে। মামুৱে গল্পৰ নায়কক সেই মৰ্মান্তিক খবৰটো দিছে ---ককায়েক মটৰ এক্সিডেণ্টত আগদিনাই ঢুকাইছে। মামু জাঁপমাৰি মটৰত উঠাৰ লগে লগে মটৰখন তীব্ৰ গতিৰে কামাখ্যা পাহাৰৰ ভাঁজত অদৃশ্য হৈ পৰিল। (অহা সংখ্যাত)

# পৰিৱেশ প্ৰদূষণ আৰু মানৱ সমাজ

■ বিনীতা শইকীয়া



বৰ্তমান যুগত মানৱ সভ্যতাৰ অগ্ৰগতিৰ লগে লগে আমি অৰ্থাৎ মানৱ সমাজে সন্মুখীন হোৱা এটা জ্বলন্ত সমস্যা হ’ল পৰিৱেশ প্ৰদূষণ। প্ৰাকৃতিক দুৰ্যোগসমূহ ভূমিকম্প বানপানী, মহামাৰী, দুৰ্ভিক্ষ মানৱ সমাজৰ বাবে যন্ত্ৰণাকাতৰ সমস্যা। মানৱ সভ্যতাৰ প্ৰতিটো খোজত বিশুদ্ধ প্ৰাকৃতিক পৰিৱেশক মৃত্যুৰ মুখলৈ ঠেলি দি প্ৰদূষিত পৰিৱেশৰ সৃষ্টি কৰিছে মানুহেই। ইয়াৰ বাবে দোষী আমাৰ মানৱ জাতিয়েই।

বৰ্তমান বিজ্ঞানৰ যুগ। বিজ্ঞানে উন্নতিৰ জখলাত এনেদৰে আগুৱাই গৈছে যে মধ্যাকৰ্ষণৰ সীমা পাৰ কৰি গ্ৰহ-নক্ষত্ৰতো বিচৰণ কৰিবলৈ বিজ্ঞান সক্ষম হৈছে। বিজ্ঞানে যিদৰে প্ৰকৃতিক সমৃদ্ধিশালী কৰি তুলিছে, ঠিক তেনেদৰেই বায়ু প্ৰদূষিত হোৱাৰো পৰিলক্ষিত হৈছে।

আনহাতে মানুহে গছ-গছনি ভাঙি বাঁহনি কাঠনি ধ্বংস কৰি ঘৰ-দুৱাৰ, কলকাৰখানা নিৰ্মাণ কৰাৰ ফলত আৱৰ্জনা, প্লাষ্টিকৰ ধোঁৱাই বায়ুমণ্ডল প্ৰদূষিত আৰু বিষাক্ত কৰি পৰিৱেশ বিনষ্ট কৰিছে। প্লাষ্টিকসমূহ দহন কৰাৰ পাছতো ইয়াৰ পৰা ৰক্ষা পোৱা নাযায়। কিয়নো পাষ্টিক জ্বলোৱাৰ ফলত অত্যন্ত বিষাক্ত গেছ নিৰ্গত হয় আৰু গোলকীয় উষ্ণতা বৃদ্ধি হোৱাৰ লগতে মানুহ আৰু জীৱ-জন্তুৰ প্ৰতি ভাবুকি কঢ়িয়াই আনি পৰিৱেশ আৰু সমাজ-ব্যৱস্থা প্ৰদূষিত কৰিছে। আনহাতে আমি ব্যৱহাৰ কৰা আমোদ- প্ৰমোদৰ বিলাসী সামগ্ৰীবোৰৰ ম্যাদ উকলি যোৱাৰ পাছত ইয়াৰ নিষ্কাষণৰ ফলত বিভিন্ন মাৰাত্মক পদাৰ্থ মাটিৰ লগত মিহলি হৈ মাটিৰ উৰ্বৰতা হ্ৰাস কৰে আৰু কিছু পৰিমাণে হ’লেও আমাৰ স্বাস্থ্যৰ ক্ষতি সাধন কৰিছে। দুষিত বায়ুমণ্ডলৰ পৰা নদ-নদী, পুখুৰী, জীৱ-জন্তু তথা কোনো প্ৰাণীয়েই বিপদ মুক্ত নহয়।

প্ৰদূষণ নিৰাময়ৰ ক্ষেত্ৰত উদ্ভিদজগত (ত্ৰয়োদশ পৃষ্ঠালৈ)



# প্ৰতিভাৱান ছাত্ৰৰ সন্ধানত



নিবন্ধ

মৃণাল শইকীয়া

মহান সম্ৰাট আলেকজেণ্ডাৰে বোলে মেচিডিনৰ সিংহাসনত বহিয়েই পিতাকে তেওঁলৈ এৰি থৈ যোৱা ধন-সম্পত্তিৰ সৰহভাগ তেওঁৰ বন্ধুসকলৰ মাজত বিলাই দিছিল। তেতিয়া পাৰডিক্কাছে তেওঁ নিজৰ বাবেনো কি ৰাখিলে বুলি সুধিলত আলেকজেণ্ডাৰে উত্তৰ দিছিল
"আটাইতকৈ মূল্যৱান সম্পদটিকে ৰাখিছোঁ - সেইটো হৈছে 'আশা' (Hope)।" এই আশাই হ'ল মানুহৰ জীৱনৰ চালিকা শক্তি। ব্যক্তি জীৱনত নতুবা সমাজত জীৱনত আমি প্ৰত্যেকেই আশা কৰোঁ সুখ-সমৃদ্ধি, বিকাশ আৰু উত্তৰণ। মানুহৰ দৰ্শনৰ উল্লেখনীয় মন্ত্ৰবীজ হৈছে ব্যক্তিৰ নিজৰ লগতে আনৰো উপকাৰ সাধন। আমি ইয়াক পৰোপকাৰ বুলি কওঁ। এই ধাৰণাতেই জীৱ-জগতৰ সকলোকে পিছ পেলাই মানুহে গঢ়ি তুলিছে ভব্য সভ্যতা আৰু জ্ঞান-বিজ্ঞানৰ অমোঘ যাত্ৰা। এই ভাৱনাতেই অনেক প্ৰতিভাৱানৰ অসম সৃষ্টি হয় আৰু স্বীকৃত হয় মানুহৰ প্ৰতিভা।

প্ৰতিভাৱান এই যৌক্তিকতাৰ এক আলোচনাৰ প্ৰয়োজনবোধ কৰিলোঁ। আমাৰ অভিভাৱক-শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলে নিজকেই প্ৰতিভাশালী ৰূপত দেখাৰ কল্পনা কৰে। কল্পনা এইবাবেই কৈছো যে - আশা বুলি ক'লেই পৰিকল্পনা থাকে। অৰ্থাৎ কল্পনাক সিদ্ধ কৰাৰ যোজনা থাকে। তেন্তে মানুহ প্ৰতিভাৱান বা প্ৰতিভাশালী হৈ উঠে কেনেকৈ? জীৱন সমৃদ্ধ হয় প্ৰতিভাৰ যোগেদি। যুগে-যুগে মানুহে প্ৰতিভাৱান লোকক বিস্ময়-বাঙ্ময়তাৰে চাই আহিছে। মানুহজন ইমান প্ৰতিভাশালী কিয়? কেনেকৈ ...? প্ৰতিভাক আমি কিমান উচ্চতাৰে জুখিব পাৰোঁ। কৃতকাৰ্যতা বা সফলতা মানেই প্ৰতিভাধৰ নেকি? আচলতে গতানুগতিক সফলতাৰ মাজত প্ৰতিভাৰ প্ৰয়োজনীয়তাই বা কিমান?

কাৰণ সকলো প্ৰতিভাৰ নেপথ্যত লুকাই থাকে নাম-যশ, খ্যাতি-প্ৰতিপত্তি আৰু ক্ষমতা। প্ৰতিভাৰ কাৰণ বহুক্ষেত্ৰত জন্মগত যদিও বহুক্ষেত্ৰত কঠোৰ পৰিশ্ৰমৰ জৰিয়তেও মানুহক প্ৰতিভাৱান হোৱা দেখা যায়। সন্তান এটি জন্মগতভাৱে প্ৰতিভাৱান হ'লেও যদি চূড়ান্ত পৰিশ্ৰমৰ মাজেদি প্ৰতিভাৰ বিকাশ নঘটায়সেইয়া অকালতে মৰহি যায়। প্ৰতিভাৱান ব্যক্তিসকলৰ সৰহভাগেই জন্মগত প্ৰতিভাতকৈ পৰিশ্ৰমৰ সিদ্ধতাৰেহে জীৱনত স্বীকৃত হৈছে।

সুখী হোৱা আৰু প্ৰতিভাৱান হোৱাৰ পথ একেটাই নে? মহান দাৰ্শনিক চক্ৰেটিছৰ জীৱন সুখী আছিল নে কণ্টকময় দুখী আছিল? মহান দাৰ্শনিকজনৰ ব্যক্তিগত জীৱনো আছিল সাধাৰণ মানুহৰ বাবে অসহনীয়। কিন্তু তেওঁ আছিল এগৰাকী শ্ৰেষ্ঠ প্ৰতিভাধৰ। দুখ-কষ্ট, পৰিশ্ৰমৰ মাজেদি আৰ্জিত জ্ঞানৰ যোগেদি সুখৰ সন্ধান কৰিব পাৰি। কিন্তু সুখেৰে অলংকৃত পথেৰে গৈ প্ৰতিভাধৰ হোৱাৰ সম্ভাৱনা নিচেই কম। সেয়েহে শিক্ষক-শিক্ষয়িত্ৰী সকলে ছাত্ৰ-ছাত্ৰীসকলক ভবাই তুলিব লাগিব যে তেওঁ কেৱল সুখী হ'ব বিচাৰে নে প্ৰতিভাৱানো হ'ব বিচাৰে।

জন্মগত প্ৰতিভাৰ কথা উল্লেখ কৰা হৈছে যদিও প্ৰতিভাৱান ব্যক্তিৰ সন্তানহে যে বংশানুক্ৰমিকভাৱে প্ৰতিভা লাভ কৰিব, এই কথা কোৱা হোৱা নাই। অৰ্থাৎ প্ৰতিভা বংশানুক্ৰমিক নহয়। বংশ-পৰম্পৰাৰে কোনো মনিষীয়েই প্ৰতিভাৱান হ'ব পৰা নাই। মানুহে কেনে ধৰণৰ প্ৰতিভা লৈ জন্মগ্ৰহণ কৰে, সেয়া ক'ব পৰা নাযায়। আমি অতি শৃঙ্খলাবান নীতিনিষ্ঠ শিক্ষকৰ পুত্ৰও 'গৰুচোৰ' হোৱা দেখিছোঁ, অথবা দুৰ্নীতিগ্ৰস্ত-চৰিত্ৰহীন লোকৰ পুত্ৰও গুণী সন্যাসী হোৱা দেখিছোঁ। তেন্তে প্ৰতিভা পৰিৱেশৰ ওপৰত নিৰ্ভৰশীল নেকি? একে সময়তে একে পৰিৱেশতে ডাঙৰ-দীঘল হোৱা ল'ৰা-ছোৱালীবোৰ তেন্তে সমানে প্ৰতিভাৱান নহয় কিয়?

এয়াও নিশ্চিত যে পৰিৱেশে মানুহক প্ৰতিভাৱান বনাব নোৱাৰে। আমি দেখিছোঁ, দুদাল মম ওচৰা-উচৰিকৈ জ্বলাই থ'লে দুয়োদাল একে সময়তে শেষ হৈ নাযায়। আনকি একেখন বিছনাতে শুই থকা স্বামী-স্ত্ৰীয়ে একে একে ধৰণৰ কথাকে মনত নেপেলায়। কিয়? জন্মগতভাৱে লাভ কৰা বংশানুক্ৰমিক কাৰকৰ দ্বাৰা মানুহ সফল হোৱাৰ উদাহৰণ খুব কমেইহে আছে। যেনেদৰে বিজ্ঞানী মেৰী কুৰীৰ কন্যা জুলিয়েট কুৰীও আছিল নোবেল বঁটা লাভ কৰা বিজ্ঞানী। কিন্তু মহাত্মা গান্ধীৰ পুত্ৰসকল মহাত্মা গান্ধীৰ দৰে প্ৰতিভাৱান হোৱাটো আমি নেদেখিলো। আমি নাজানো শঙ্কৰদেৱৰ পুত্ৰসকলৰ প্ৰতিভাৰ বিষয়ে। বুদ্ধদেৱৰ পুত্ৰ ৰাহুল জ্ঞানৱান বৌদ্ধ সন্যাসী হোৱাটো আমি শুনা নাপাওঁ - কিয়? শ্বেক্সপীয়েৰৰ পুত্ৰই নাটক লিখিছিল নে? ৰবীন্দ্ৰনাথৰ পুত্ৰ ৰথীন্দ্ৰনাথে কবিতা লিখিব পাৰিছিল নে? আমি কাৰ্লমাৰ্ক্স, মহাত্মা গান্ধী, ৰুচো, চেঙ্গিজখানৰ পুত্ৰ-কন্যা সকলক প্ৰতিভাৱান হিচাপে স্মৰণ নকৰোঁ। অৰ্থাৎ প্ৰতিভাৰ বিকাশ ঘটাবলৈ বংশৰ যে প্ৰভাৱ নাই, সেয়া নিশ্চিত হ'ব পাৰোঁ। বংশ-পৰম্পৰাৰে আমি মাটি-বাৰী, সম্পত্তি, গাড়ী, ধন-সোণ ইত্যাদি পাব পাৰোঁ। কিন্তু প্ৰতিভা আহৰণ কৰিব নোৱাৰোঁ।

এজন মানুহ প্ৰতিভাৱান হ'বনে নহয়, অৰ্থাৎ এজন মানুহৰ ভৱিষ্যত কি? সেয়া গ্ৰহ-নক্ষত্ৰৰ প্ৰভাৱৰ ওপৰত নিৰ্ভৰশীল বুলি আগৰ যুগত বিশ্বাস কৰিছিল। গ্ৰহ-নক্ষত্ৰৰ প্ৰভাৱতে এজন লোক প্ৰভাৱশালী, সম্পদশালী প্ৰতিভাধৰ হৈ থাকে বুলি মানুহে (বহুতেই) এতিয়াও বিশ্বাস কৰে। কিন্তু সেয়া কিমান সঁচা?

আধুনিক গৱেষণাত আৰু ইয়াৰ সম্প্ৰয়োগৰ দ্বাৰা পতিয়ন গৈছে যে মানুহৰ শৰীৰত থকা বিশেষ যৌগিক ক্ৰিয়াৰ দ্বাৰা মানুহৰ স্বভাৱ-চৰিত্ৰ নিৰূপিত হয়। সেয়া কেৱল মানুহ বুলিয়েই নহয়, জীৱ-জগতৰ সকলো প্ৰাণী আৰু উদ্ভিদৰ ক্ষেত্ৰতো ইয়াৰ প্ৰভাৱ একে। সেই বিশেষ যৌগৰ নাম হৈছে 'জিন' নতুবা DNA ।

ৱাটচন আৰু ক্ৰিকে ১৯৬২ চনত ইয়াৰ বাবে লাভ কৰিছিল নোবেল বঁটা। তেওঁলোকে 'নেছাৰ' নামৰ পত্ৰিকাত দাবী কৰিছিল যে DNA ৰ সহায়ত ভৱিষেতে পৃথিৱীৰ প্ৰতিটো জীৱৰ জন্ম-ৰহস্য কৈ দিব পাৰ যাব। এই 'জিন'নো কি? যিয়ে মানুহৰ চৰিত্ৰগত ভৱিষ্যত কৈ দিব পাৰে। যিয়ে মানুহৰ ভৱিষ্যতৰ তথা ভাগ্য নিৰূপণ কৰিব পাৰে। কৈ দিব পাৰে মানুহজন কিমান প্ৰতিভাৱান বা জিনিয়াছ। জিনৰ সন্দৰ্ভত বিস্তৃত বাখ্যালৈ নগৈ চূড়ান্তভাৱে ক'বলৈ গ'লে আমাৰ দেহ, প্ৰাণ অথবা সমস্ত জৈৱ ৰসায়নিক প্ৰক্ৰিয়াৰ মূলতেই হ'ল এই 'জিন'। জিনৰ অৱস্থান, সবলতা, আৰু দুৰ্বলতাৰ ওপৰতে এজন ব্যক্তি কিমান বুদ্ধিমান বা মুৰ্খ হ'ব?নে মানসিক বিকাৰগ্ৰস্ত হ'ব?নে ৰুগীয়া, খঙাল প্ৰকৃতিৰ হ'ব?নে সমকামী বা তৃতীয় লিঙ্গৰ হ'ব? ক'ব পৰা যায়।

এতিয়া জিন সংস্থাপন এটি আধুনিক চিকিৎসা পদ্ধতি হিচাপে স্বীকৃত হৈছে। তেন্তে এনে জিনৰ প্ৰভাৱ ব্যক্তিৰ বুদ্ধিমত্তাৰ ওপৰত নিশ্চয়কৈ পৰে। কিন্তু এই জিন সলাই কাৰোবাক প্ৰতিভাৱান কৰিব নোৱাৰি। কাৰণ কেৱল বুদ্ধিমত্তাকে 'প্ৰতিভা' বুলি কোৱা নাযায়; কাৰণ, প্ৰতিভা সদায় একক, অনন্য, স্বকীয়।

সেইবাবে পৃথিৱীত এজনহে আইনষ্টাইন, মহাত্মা গান্ধী, চাৰ্লি চেপলিন, কাৰ্লমাৰ্ক্স, বা পেলেৰ জন্ম হৈছে। সাইলাখ একে চেহেৰা বা বাহ্যিক আচৰণত সাইলাখ একে হ'লেও ব্যক্তিজনৰ ব্যক্তিত্বক প্ৰতিভাধৰ বুলি কোৱা নহয়। সম্পূৰ্ণ স্পকীয় চিন্তা স্বকীয় কামৰ জৰিয়তে সফলকাম হোৱাজনকহে বোলা হয় প্ৰতিভাশালী।

আনন্দৰাম বৰুৱাৰ পিছত বহুতেই আই চি এছ পৰীক্ষাত কৃতিত্ব দেখুৱাইছে যদিও তেওঁলোকক প্ৰভাৱশালী ছাত্ৰ বুলি কোৱা নহয়। চোকা বা বুদ্ধিমত্তাশালী বুলি ক'লেও 'জিনিয়াছ' বুলি কোৱা নহয়।

MIT অৰ্থাৎ মেচাচুছেট ইনষ্টিটিউট অৱ টেকনলজীৰ এগৰাকী প্ৰতিভাৱান গৱেষক ছাত্ৰ ফ্ৰাংক ছালোৱে ২৮ বছৰ ধৰি পৃথিৱীৰ সৰ্বোত্তম প্ৰতিভাধৰ ব্যক্তিৰ জীৱনীৰ ওপৰত গৱেষণা কৰি কৈছে যে মানুহ প্ৰতিভাধৰ হোৱাটো নিৰ্ভৰ কৰিব তেওঁৰ জন্মক্ৰম অনুসৰি। 'বাৰ্থ অৰ্ডাৰ' অৰ্থাৎ মানুহজন মাক-দেউতাকৰ কিমান নম্বৰ সন্তান তাৰ ওপৰত। মাকৰ প্ৰথম সন্তানসকলে মাকৰ পৰা বিশেষভাৱে লাভ কৰা সান্নিধ্য আৰু স্নেহৰ বাবে কৰ্তৃত্বপ্ৰেমী হৈ উঠে। সিহঁত উচ্চভিলাসী, আত্মবিশ্বাসী, ঈৰ্ষাকাতৰ আৰু নিজ সফলতা-বিফলতাক লৈ বেচ্ উদ্বিগ্ন। তেওঁলোকৰ আৱিষ্কাৰ বা উন্মেষৰ প্ৰতিভা আপাততঃ কম। ৰিস্ক ল'বলৈ তেওঁলোক আগবাঢ়ি নাহে।

সেইবাবেই পৃথিৱীৰ কোনো বিদ্ৰোহেই তেওঁলোকৰ দ্বাৰা সংঘটিত হোৱাৰ সম্ভাৱনা নাই। তেওঁলোকে শাসক বা পদৱীধাৰীৰ সৈতে ৰাখিব খোজে মধুৰ সম্পৰ্ক। তেওঁলোক উচ্চাভিলাসৰ বাবে হৈ পৰে অনুগত। ৰাজনৈতিক মঞ্চখনত বেছিকৈ ভিৰ কৰে প্ৰথম সন্তান সকলেই।

ফ্ৰাংক ছালোৰ মতে প্ৰথম সন্তানসকল হৈ পৰে স্থিতাৱস্থাৰ সমৰ্থক, আনহাতে মাক-বাপেকৰ দ্বিতীয়, তৃতীয়, চতুৰ্থ ইত্যাদি সন্তানসমূহ হয় স্থিতাৱস্থাৰ ঘোৰ বিৰোধী। ৰিস্ক লোৱাৰ ক্ষেত্ৰত, প্ৰত্যাহ্বান জনোৱাৰ ক্ষেত্ৰত তেওঁলোকৰ সদায় আগৰণুৱা। নতুন চিন্তা আৰু কামৰ প্ৰতি তেওঁলোকৰ আগ্ৰহ বেছি। তেওঁলোক কল্পনাপ্ৰৱণ, স্বাধীনচেতা, অস্থিৰ, সন্দেহপ্ৰৱণ আৰু উদাৰ প্ৰকৃতিৰ হয়। বিপ্লৱীসকলৰ তালিকাতো এই সন্তানসকলৰ সংখ্যাই বেছি। টলষ্টয়, মাৰ্ক্স জোৱান অৱ আৰ্ক, এডমাণ্ড হিলাৰী, ভাৰ্জিনিয়া উল্‌ফ বা কম্পিউটাৰৰ বাদশ্বাহ বিল গেটছ এই শ্ৰেণীৰ অন্তৰ্ভুক্ত। মানৱ ইতিহাসৰ যুগান্তকাৰী উদ্ভাৱক চাৰ্লচ ডাৰউইন আছিল মাক-বাপেকৰ পঞ্চম সন্তান অৰ্থাৎ সৰ্বকনিষ্ঠ। আমেৰিকাৰ ইতিহাসৰ সবাতোকৈ প্ৰতিভাশালী ৰাষ্ট্ৰপতি বেঞ্জামিন ফ্ৰেংকলিন মাক-দেউতাকৰ ১৭ টা সন্তানৰ ভিতৰত ১৫ নম্বৰ সন্তান আছিল। আনকি তেওঁৰ দেউতাক, ককাক, আজোককাক সকলো আছিল মাক দেউতাকৰ কনিষ্ঠ সন্তান।

হাৰভাৰ্ট বিশ্ববিদ্যালৰ প্ৰাক্তন ছাত্ৰ ফ্ৰাংক ছালোৱে ডাৰউইনৰ ওপৰত গৱেষণা কৰি কৈছে - "ডাৰউইন মুঠেই স্মাৰ্ট নাছিল। আৰম্ভণিতে প্ৰতিভাৱানো নাছিল।" তেওঁ কৈছে -"ছাৰ আইজাক নিউটনো স্মাৰ্ট নাছিল। পৰা নাছিল ডিফাৰেন্সিয়েল ইকুৱেচন মনে মনে সমাধান কৰিব।"

ছালোৱে বিস্ময়েৰে কৈছিল - "মই যিখিনি পাৰোঁ, সেইখিনিও আনকি তেওঁ নোৱাৰিছিল। অথচ তেওঁ হৈ গ'ল এজন বিৰল প্ৰতিভাধৰ। এই যে তেওঁ প্ৰতিভাৱান ৰূপে চিহ্নিত হ'ল, সেই কথাৰে তেওঁ (ত্ৰয়োদশ পৃষ্ঠালৈ)

# এয়া অসমীয়া হৈ জীয়াই থকাৰ সন্ধিক্ষণ

**সুবিমল পাঠক**

আমি অসমীয়া হৈ এতিয়া সংবাদৰ শিৰোনাম হৈ ৰাইজৰ দৃষ্টি আকৰ্ষণ কৰাৰ সময় নহয়। শুদ্ধ-সত্যৰ সাৰমৰ্ম বা সাৰাংশ হৈ মানুহৰ হৃদয় জিনিবলৈ আমি সকলো মানুহেই যত্নবান হোৱা ভাল। নৰ-সংহাৰৰ দৰে ধ্বংস যজ্ঞৰ সূচনা কৰাটো মানৱীয় কাম হ'ব নোৱাৰে। এডলফ হিট্লাৰ হৈ বিশ্বখ্যাত অৰ্থশূন্য। নহ'লে তেনেকুৱা শাসকক নৰ-প্ৰজন্মই নৰখাদক আখ্যা দিব। বহুজনে ভুল বাট ল'ব। স্বাভিমান আৰু স্বকীয়তাক মান্যতা দিয়া উচিত। পাৰিলে লাচিতৰ দৰে মহানায়ক হ'ব লাগে আমাৰ দেশৰ মন্ত্ৰী বিধায়ক সাংসদসকল। অস্পৃশ্যতা, বৰ্ণবৈষম্যৰ প্ৰভেদ বিনাশী সংস্কাৰী হ'ব লাগে। মহামানৱ মহাত্মাৰ আদৰ্শক সন্মান জনোৱা উচিত। ধৰ্ম, জাতি-উপজাতি সাম্প্ৰদায়িক সংকীৰ্ণতাৰ পৰিধি ভেদিব লাগে। মহাপুৰুষ শঙ্কৰদেৱৰ আদৰ্শক শিৰোধাৰ্য কৰিব লাগে। প্ৰচলিত ব্যৱস্থাত নিজকে জনপ্ৰতিনিধি, মন্ত্ৰী, মহিমন্ত্ৰী (মাটিৰ মালিক) সজোৱা ডাঙৰ কথা নহয়। নিজ মাতৃভূমিৰ দৰিদ্ৰ জনতাৰ অভাৱৰ বুজ ল'ব লাগে। শিক্ষা-বিদ্যা অনুপাতে চৰকাৰী নিয়োজনৰ ব্যৱস্থা কৰা উচিত। নিজ মাতৃভুমিৰ খিলঞ্জীয়াৰ বিপদাপন্ন হোৱা চৰকাৰী বিধি বলবৎ হোৱা অনুচিত। ৰাজ্যৰ ৰাজহুৱা সম্পত্তি চৰকাৰ প্ৰশাসনৰ আওতাত খিলঞ্জীয়াৰ হাতত ন্যস্ত কৰা উচিত। আপোন ভাতৃক মান্যতা দিয়া হ'ব।

অন্যথা মহাসাগৰত বিলীন হৈ নিঃশেষ হ'ব জাতি-জাতীয়তাবাদ। অসমৰ সুবদী ভাষাৰ মন্দিৰ সমূহত ভাষাৰ পূজা (চৰ্চা) হওক -"চিৰচেনেহী মোৰ ভাষা জননী"য়ে সাৰপানী পাই সজীৱ হওক। জগত সভাত জীয়াই থাকক অসম-অসমীয়া বাৰে-ৰহণীয়া আমাৰ সংস্কৃতি। অসম ভূ-খণ্ডত অসমীয়া হৈ উচ্চশিৰে থকাৰ সংকল্প লোৱাৰ এয়া যে সন্ধিক্ষণ।




# চছিয়েল মিডিয়া বনাম টেলিভিশ্যন

***চিৰিয়েল, চিনেমা, ক্ৰিকেট খেল ইত্যাদি কেৱল টিভিৰ অনুষ্ঠান চাই শিশুসকলে দিনটোৰ বেছিভাগ সময় পাৰ কৰি ভৱিষ্যত জীৱন কেনেদৰে ধ্বংস কৰে সেয়া সকলো অভিভাৱক বা পিতৃ-মাতৃয়ে বুজি নাপায়। বহু শিশু-কিশোৰে নিজৰ ঘৰতে উপলব্ধ চিনেমা, ভিচিডিৰ কেছেট, ব্লু ফিল্মৰ কেছেট নিজে অকলশৰে থকা অৱস্থাত চাই ধ্বংসৰ পথলৈ গতি কৰা দেখা যায়। বহু শিশু , ছাত্ৰ-ছাত্ৰীয়ে টেলিভিছনক জ্ঞান আৰু মনোৰঞ্জনৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰাৰ পৰিৱৰ্তে সময় কটোৱা আহিলা হিচাপেহে ব্যৱহাৰ কৰি সৃষ্টিশীল মনটো ধ্বংস কৰা পৰিলক্ষিত হয়...***

**জীতেন বৰুৱা**

বৰ্তমানৰ প্ৰতিযোগিতাৰ যুগত গণমাধ্যম সমূহৰ ভিতৰত টেলিভিছনেই হ'ল সৰ্বাধিক জনপ্ৰিয় আৰু শক্তিশালী মাধ্যম। বাতৰিকাকত বা ৰেডিঅ'ৰ তুলনাত টেলিভিছনত দৃশ্য-শ্ৰব্য দুয়োটা সুবিধা থকা বাবেই শিশুৰ পৰা বুঢ়ালৈকে সকলো শ্ৰেণীৰ লোকৰ (মনোৰঞ্জনৰ বাবে বা জ্ঞান অৰ্জনৰ বাবে) জনপ্ৰিয়তাৰ মূল কাৰণ। টেলিভিছনৰ উপকাৰ থকাৰ বিপৰীতে বহু দিশত অপকাৰ থকা দেখা যায়। এজন প্ৰাপ্তবয়স্ক লোকৰ তুলনাত শিশু বা ছাত্ৰ-ছাত্ৰীক টেলিভিছনৰ পৰ্দাত মুকলিকৈ এৰি দিয়াৰ ফলত বেছি অপকাৰ হয়। আজিৰ আলোচনাত এনে কিছু আলোচনাৰ অৱতাৰণা।

শিশু অৰ্থাৎ চৈধ্য বছৰৰ তলৰ সকলৰ বাবে টেলিভিছনৰ কেতবোৰ বচা বচা অনুষ্ঠান বিশেষ উপকাৰী। কিন্তু এনেবোৰ অনুষ্ঠান বয়সস্থ সকলে বা অভিজ্ঞসকলে বাচি উলিয়াই দিব লাগিব। তাৰ বাবে পিতৃ-মাতৃ বা অভিভাৱকসকলে সচেতন হবই লাগিব। টেলিভিছনৰ পৰা উপকাৰৰ তুলনাত অপকাৰ হোৱাৰ ভয়ত বহু পিতৃ-মাতৃয়ে এই বস্তুটো ইচ্ছা থাকিলেও ঘৰত ননাকৈয়ে আছে। শিশুসকলক বিজ্ঞানভিত্তিক বিভিন্ন অনুষ্ঠান, কুইজ, আলোচনাচক্ৰ, বিখ্যাত লোকৰে হোৱা সাক্ষাৎ কাৰ, শিশুহঁতৰ দ্বাৰা আয়োজিত অনুষ্ঠানসমূহ, নৃত্য-গীত, কেতবোৰ চেনেলত ইউ, জি.চি (U G C) ৰ দ্বাৰা বিভিন্ন শিক্ষামূলক অনুষ্ঠান প্ৰচাৰ কৰা হয়। নেশ্বনেল জিয়গ্ৰাফি (National geography.), ডিচকভাৰি চেনেল (Discovery Channel) আদিৰ উপৰিও দুই তিনি চেনেলৰ নিৰ্বাচিত অনুষ্ঠানসমূহ শিশু, ছাত্ৰ-ছাত্ৰীৰ বাবে উপযোগী। শিশুসকল হ'ল কল্পনা বিলাসী আৰু নতুন নতুন কথা জনাৰ বাবে আগ্ৰহী। সিহঁতৰ মন-মগজু এখন ফটো ফিল্মৰ দৰে। ফটো ফিল্মৰ সন্মুখত যি থাকে সেয়াই উঠাৰ দৰে শিশুৰ মগজুত যি দেখে বা শুনে সেয়াই স্থায়ী হৈ ৰৈ যায়। সেয়েহে শিশুসকলক গঠনমূলক ধ্যান-ধাৰণাৰ প্ৰতি আগ্ৰহী হোৱাকৈ উপকাৰী দিশবোৰৰ প্ৰতি অভিভাৱকসকলে আকৰ্ষণ বঢ়োৱা উচিত। টেলিভিছনৰ যোগে আজিৰ পৰিৱৰ্তনশীল আৰু প্ৰতিযোগিতামূলক সমাজত খাপ খুৱাই ল'ব পৰাকৈ জ্ঞান-বুদ্ধি আহৰণত অৰিহণা নিশ্চয় যোগাব পাৰি। দেশ-বিদেশৰ শেহতীয়া ঘটনাৰাজি, সামাজিক, সাংস্কৃতিক বা ৰাজনৈতিক প্ৰতিচ্ছবি শিশু বা ছাত্ৰ-ছাত্ৰীয়ে টেলিভিছনৰ যোগেদি আহৰণ কৰিব পাৰে। বিজ্ঞানৰ ৰহস্য, শেহতীয়া আৱিস্কাৰ, সমাজ বুৰঞ্জীৰ পাঠ, দেশ মাটিৰ কথা, মানৱীয় প্ৰমূল্যবোধৰ প্ৰতিফলনৰ দৰে দিশবোৰৰ সৈতে সিহঁতক টেলিভিছনৰ যোগেও চিনাকি কৰাই দিব পাৰি। সেয়েহে অভিভাৱক তথা পিতৃ-মাতৃয়ে এনেবোৰ দিশত গুৰুত্ব দিয়া প্ৰয়োজন।

পৃথিৱীৰ প্ৰতিটো চুকে কোণে আজি টেলিভিছনৰ পয়োভৰ। কোটি কোটি শিশু, ছাত্ৰ-ছাত্ৰী ইয়াৰ নিয়মীয়া দৰ্শক। সিহঁতৰ বহুতে ভাল-বেয়া সকলোবোৰ অনুষ্ঠান চাই শিকে-বুজে। তাৰ ফলত বহু শিশু, ছাত্ৰ-ছাত্ৰী কলিতে মৰহি যোৱাৰ উপক্ৰম হয়। টেলিভিছনৰ দৰে সৰু পৰ্দাৰ কবলত পৰি সিহঁতে চোৱা অনুষ্ঠানটোৰ লগত একাত্ম হৈ পৰে আৰু বাস্তৱত কাৰ্য ৰূপায়ণ কৰাৰ ইচ্ছা প্ৰকাশ কৰে। বহুতে তেনেকুৱা কৰিবলৈ গৈ জীৱন ধ্বংসৰ দৰে চৰম ৱস্থাতো উপনীত হয়। 2005 চনৰ কথা। টেলিভিছনৰ পৰ্দাত অসমৰে নলবাৰী জিলাৰ ধ্ৰুৱজ্যোতি নামৰ এঘাৰ বছৰীয়া শিশুজনে 'শক্তিমান' নামৰ ধাৰাবাহিকখন চাই ঘৰৰ ওপৰৰ পৰা পৰি মৃত্যু হয়। অকল সেয়াই নহয়—পশ্চিমবংগ, বিহাৰ, উত্তৰ প্ৰদেশ, দিল্লী আদি ঠাইৰ বহুতো শিশু ছাত্ৰ-ছাত্ৰীয়ে এইখন ধাৰাহিকৰ কৰলত পৰি দুঃসাহস দেখুৱাবলৈ গৈ মৃত্যুক আঁকোৱালি ল'বলগীয়া হৈছে। ইয়াৰ উপৰি কথা হ'ল শিশুকালত বা কৈশোৰ অৱস্থাত সিহঁতে ভাল বেয়া বিচাৰ কৰিব নোৱাৰে আৰু সেই অনুপাতে সিহঁতে শক্তি-সমৰ্থও আহৰণ কৰিব নোৱাৰে শিশুকাল পাৰ হৈ কৈশোৰ কালছোৱাত বহুতে টেলিভিছনৰ পৰ্দাত দেখা সমস্ত অসামাজিক কাম, মাৰপিট, ধৰ্ষণ, হত্যা, যৌনতা আদিৰ চিকাৰ হয়। যিবোৰ সিহঁতৰ বহুতে অনুকৰণ কৰি বাস্তৱত প্ৰয়োগ কৰিবলৈ যত্ন কৰে। শিশু-কৈশোৰ অৱস্থাত বহুতৰে শাৰিৰীক আৰু মানসিক স্বাস্থ্যৰ ক্ষতি হোৱাৰ অন্যতম কাৰণ হ'ল টেলিভিছন। টেলিভিছন চাই বহুতৰে ধাৰণা হয় যে ইয়াত যি দেখা যায় বা শুনা যায় সেয়াই কৰিব লাগে বা যি খাবলৈ দিয়া হয় সেয়াই খাব লাগে। বিজ্ঞাপনবোৰত বিভিন্ন পানীয়, ফাষ্টফুডবোৰক দেখি সেয়া খাবলৈ শিকে। চকলেটৰ পৰা আৰম্ভ কৰি সাজ-পোচাক পিন্ধালৈকে শিশু-কৈশোৰ অৱস্থাৰ ল'ৰা-ছোৱালী চিকাৰ হয়। বিজ্ঞাপনত দেখা খাদ্য বস্তুবোৰৰ বেছিভাগ শৰীৰৰ বাবে হানিকাৰক। পিন্ধন উৰণত মাৰ্জিত নোহোৱাৰ অন্যতম কাৰণ হ'ল বিজ্ঞাপন আৰু ফেশ্বন শ্বোৰ লেখীয়া অনুষ্ঠানবোৰ, যিবোৰ শিশু-কিশোৰ সকলে শিকি অনুকৰণ কৰে।হেৰি চোৰণা নামৰ চিন্তাশীল সাহিত্যিকজনে তেওঁৰ Television and socity' শীৰ্ষক গ্ৰন্থখনত টেলিভিছনৰ অপকাৰলৈ এনেদৰে মতামত ব্যক্ত কৰিছে----Psychiatrists have repeatedly warned that nothing affects people as much as that which tyhy don't take seriously and (ত্ৰয়োদশ পৃষ্ঠালৈ)

*"অসমীয়া সাহিত্যৰ সোণ-সেৰীয়া পথাৰখনত বহু অতীজৰ পৰাই সমাজত মানুহৰ মুখে মুখে কিছুমান কথা প্ৰচলন হৈ আছে। যিবোৰ মৌখিক সাহিত্যৰ অন্তৰ্গত বুলি ক'ব পাৰি। এই ঐতিহাসিক উপাদানবোৰৰ কোনো আতি-গুৰি পাবলৈ নাই। মানুহৰ মুখে মুখে চলি আহিছে যদিও তাত্বিক দিশ নথকা নহয়। নৈতিক, আধ্যাত্মিক সামাজিক দিশতো ইয়াৰ তাৎপৰ্য অতি গধুৰ। সমাজত এইবোৰ কথাই সামাজিক হিত সাধন কৰি আহিছে বাবেই লোক সাহিত্যত ইয়াৰ মূল্য অপৰিসীম। আজিও এই 'মুখ' কথাবোৰত মানুহৰ মনত হাঁহি তামাচা, আনন্দ বিষাদ আদি প্ৰস্ফুটিত হৈ আহিছে...*

# অসমীয়া সাহিত্যৰ সোণ-সেৰীয়া পথাৰ

■ অশ্বিনী কুমাৰ শৰ্মা



অসমীয়া সাহিত্যৰ সোণ-সেৰীয়া পথাৰখনত বহু অতীজৰ পৰাই সমাজত মানুহৰ মুখে মুখে কিছুমান কথা প্ৰচলন হৈ আছে। যিবোৰ মৌখিক সাহিত্যৰ অন্তৰ্গত বুলি ক'ব পাৰি। এই ঐতিহাসিক উপাদানবোৰৰ কোনো আতি-গুৰি পাবলৈ নাই। মানুহৰ মুখে মুখে চলি আহিছে যদিও তাত্বিক দিশ নথকা নহয়। নৈতিক, আধ্যাত্মিক সামাজিক দিশতো ইয়াৰ তাৎপৰ্য অতি গধুৰ। সমাজত এইবোৰ কথাই সামাজিক হিত সাধন কৰি আহিছে বাবেই লোক সাহিত্যত ইয়াৰ মূল্য অপৰিসীম। আজিও এই 'মুখ' কথাবোৰত মানুহৰ মনত হাঁহি তামাচা, আনন্দ বিষাদ আদি প্ৰস্ফুটিত হৈ আহিছে। এই লোকে কথাবোৰত ৰস বিদ্যমান। অৱশ্যে উল্লেখ কৰি থব পাৰি, এক বিংশ শতিকাৰ বৈজ্ঞানিক আৱিস্কাৰৰ ফলত নতুনকৈ মানুহে আধুনিক ধাৰৰ প্ৰতি আগ্ৰহী হোৱাত সমাজৰ পৰাই এইবোৰ ক্ৰমাৎ নোহোৱা হৈ অহিছে। নতুন প্ৰজন্মই এই কথাবোৰ নজনাকৈয়ে জীৱন পথত খোজ দিবলগীয়া হৈছে। আনহাতে এই 'মুখ' কথাৰ কোনো আৱিস্কাৰ নাই মুখ মুখেই সংলাপ আকাৰত প্ৰচলিত হৈ আহিছে। মুখ প্ৰচলিত কথাযাৰ হ'ল নাপায়। জন্মৰ পৰা মৃত্যু পৰ্যন্ত এই 'নাপায়' কথাযাৰ সততে প্ৰয়োজনীয়। 'নাপায়' অৰ্থ হ'ল কৰিব নলগা কাম। কৰিলে তাৰ ফলাফল ভাল-বেয় কিবা নিশ্চয় হ'ব আৰু এই বিশ্বাস আগত ৰাখিয়েই মানুহৰ মুখত 'নাপায়' শোভা পাইছে। ভাষাবিদ, গৱেষক, তথা বিশিষ্ট সাহিত্যিক ড' কালী প্ৰসাদ গোস্বামীদেৱে ইয়াক 'মুখপুৰাণ' আখ্যা দিছে।' এই মুখ পুৰণিখন চৈধ্য শাস্ত্ৰ আৰু ওঠৰ পুৰাণৰ বাহিৰত থকা পুৰাণহে। কথা হ'ল 'মুখ' পুৰণি' কথাবোৰত কেৱল 'নাপায় নাপায় প্ৰচলন হৈ আহিছে। ই চিৰ সত্য কথা। আজিৰ এই আলোচনাত লিখকে সততে পোৱা মুখ প্ৰচলিত 'নাপায়'ৰ ওপৰত আলোকপাত কৰিব বিচাৰিছো। পুৱাৰেপৰা সন্ধ্যা বা নিশালৈ এই 'নাপায়ে' সমাজখন বান্ধি ৰাখিছে। উদাহৰণত ক'লো 'বাপা এইটো কৰিব নাপায় নহয়, কোনোবাই বেয়া বুলিব।' লগে লগেই আৰম্ভ হ'ল মুখ পুৰাণৰ অধ্যায়বোৰ। চাওঁ এই নাপায় ক'ত আছে।

বাঢ়নি ঘৰৰ ঘৰৰ সন্মুখত থ'ব নাপায়, বাটৰ হেঙাৰত কাপোৰ মেলি দিব নাপায়, পদুলিত খোৱা থ'ব নাপায়। মেখেলা বাটত থ'ব নাপায়, ৰাতি পুৱাই সুধা কলহ, সুধা ঘটি, লোটা দেখিব নাপায়, ক'ৰবালৈ যাত্ৰা কৰিলে, পিছ ফালৰ পৰা মাতিব নাপায়, চোতালৰ আগত উঘুনা থ'ব নাপায়, ৰান্ধনি ঘৰত চেন্দেল, জোতাৰে সোমাব নাপায়। ঢেঁকীশাল, তাঁতশাল দুপৰীয়া চলাবলৈ নাপায়, দুপৰীয়া পানীৰ ঘাট, গছৰ তলত যাব নাপায়, (বিৰাই ধৰে) ঘৰৰ মজিয়াত তামোল খাই পিক্ পেলাব নাপায়, ৰাতি চুন বুলিব নাপায় (বগা বুলিব লাগে), হালধি বুলিব নাপায়, ৰাতি বা শনিবাৰে, মঙলবাৰে তিতা খাব নাপায়, ভাত খোৱা মুখে তামোল পানৰ বাৰীত সোমাব নাপায়, মানুহৰ ওপৰেৰে যাব নাপায়, ক'ৰবালৈ গ'লে একো নোখোৱাকৈ যাব নাপায়, তিৰোতা মানুহৰ (নৰা হ'ল) চুবলৈ নাপায়, তিনি আলিৰ চুকত কথা হ'ব নাপায়, মানুহৰ আগে আগে বেগাই যাব নাপায়, পানীৰ জীয়লিত বহি থাকিব নাপায়, ৰাতি শোওঁতে উত্তৰ-পশ্চিমে মুৰ দিব নাপায়, বাহী সাজ পৰিধান কৰিব নাপায়, তিৰোতাই চুলি মেলি থাকিব নাপায়, (যখিনী যেন ভাৱ হয়) বহোঁতে ভৰি নচুৱাই থাকিব নাপায়, ভঙা আইনাত চাবলৈ নাপায়, পুৰুষে সেন্দুৰৰ ফোট ল'বলৈ নাপায় (চোৰ হয় বুলি কয়) পুৰুষে মহিলাৰ আৰু মহিলাই পুৰুষৰ সাজ বিন্ধিব নাপায়, গাখীৰে নিমখে একে লগে ভাত খাব নাপায়, অম্বুবাচীৰ সময়ত পথাৰত মাটি খান্দিব নাপায়, গোহালী, ভৰাল ঘৰ তামোল পানৰ বাৰীত সোমাব নাপায়। জীৱ জন্তু লঠিয়াব নাপায়, কাপোৰ মেলি দিয়া তাৰৰ তলেৰে পাৰ হ'বলৈ নাপায়, ভাত খাই উঠি কাহি দলিয়াব নাপায়, কাতি-মাহত মাছ-মাংস খাবলৈ নাপায়, জোৰ বয়সতে ল'ৰা ছোৱালী বিয়া পাচিব নাপায়, অশৌচিত শুভ কাজ পাতিব নাপায়, পথাৰৰ পৰা আঘোণ মাহত ধানৰ আগে আনি তাকোতে পিচ, ফাললৈ চাব নাপায়, ছোৱালী পুষ্পিতা হ'লে পুৰুষে দেখিব নাপায়, ৰাতি আইনাত মুখ চাব নাপায়, দা-কটাৰীৰে একো কাটিব নাপায়, কথাত কথা ক'ব নাপায়, কোমোৰা দুফাল কৰিব নাপায়, ৰাতি মাটি কাটিব নাপায়, মাটিত ঢাৰি পাৰিলে সুধা ধাৰি পাৰিব নাপায় (তাত এখন কাপোৰ পাৰি দিব লাগে)। মানুহৰ গালৈ থু পেলাব নাপায়, টেঙা-তিতা মিঠা একেলগে খাব নাপায়, আঙুলি জোকাৰি কথা ক'ব নাপায়, মঙ্গলবাৰে শনিবাৰে বাঁহ কাতিব নাপায়, জন্মবাৰত চুলি-দাৰি কাটিব নাপায় কাগজ পুৰিব নাপায়, কলৰ ঠোক পাৰোতে আঠুত লগাব নাপায়, গছত মানুহ উঠিলে গছৰ তলৰ পৰা মাতিব নাপায়, (মানুহজ পৰি যাব পাৰে) খেলুৱৈ মেলুৱৈ হ'ব নাপায়, ধান-মাহ পাণ তামোল একেলগে থব নাপায়, হাঁহ কৰিব নাপায়, তিৰোতা গৰ্ভৱতী হ'লে স্বামীয়ে জীৱ-জন্তু হত্যা কৰিব নাপায়,গৰ্ভৱতী তিৰোতাই দুপৰীয়া খালৰ ঘাটত যাব নাপায় আৰু কথা লগাই ফুৰিব নাপায়, গৰু ছাগলীৰ পিঠিত উঠিব নাপায় ৰাতি চৰাই বিশেষকৈ ফেঁচাৰ মাত শুনিব নাপায়, মেকুৰী, কুকুৰৰ ৰাও শুনিব নাপায়, পানীত প্ৰস্ৰাৱ কৰিব নাপায়, সন্ধ্যা ভাত খাব নাপায়, গোহালীত গৰু ছাগলী থকা সময়ত কাৰোবাৰ ঘৰত বস্তু দিব নাপায়, নতুন ধানৰ ভাত গোসাইৰ আগত থাপনা নিদিয়াকৈ খাব নাপায়, ডাঙৰক বেয়া শব্দৰে কব নাপায়, ৰাতি বেজি, বৰশী বিক্ৰী কৰিব নাপায়, মাঘত মুলা খাব নাপয়, 'ফাগুণ-চ'তত উৰহী খাব নাপায়, পত্নীয়ে পতিৰ নাম কাঢ়িব নাপায়, (আজিকালি নাম কাঢ়ে) ব'হাগৰ আগেয়ে বিচনীৰ বা ল'ব নাপায়, যঁজা তামোল-পান কল, আদি অকলে খাব নাপায়, নৈৰ বাঢ়নী চাব নাপায়, পুখুৰীত নামি গা ধুব নাপায়, মতা মানুহে পোৱা মাছ আৰু মাইকী মানুহে মতা জন্তুৰ মাংস খাব নাপায়, ৰাতি সুহুৰিয়াব নাপায়, ৰাতি সাপ, বাঘ বুলিব নাপায়, (দীঘল নলীয়া বুলি ক'ব পায়) আন্ধাৰত ভাত খাব নাপায়, গোবৰত খু পেলাব নাপায়, মানুহৰ ছাঁ গছকিব নাপায়, বাওঁ হাতেৰে বস্তু দিব নাপায়, কাতি মাঘ মাহত ঘৰ সাজিব নাপায়, মৰা গৰুৰ গাখীৰ খাব নাপায়, সোমবাৰ-শনিবাৰে পূৱ মূৱাকৈ যাত্ৰা কৰিব নাপায়, ডাঙৰ ল'ৰাৰ লগত ডাঙৰ ছোৱালীৰ বিয়া পাতিব নাপায়, সদ্য বিধৱাক বিয়া কৰাব নাপায়, ভাদ, চ'ত, পুহ মাহত বিয়া পাতিব নাপায়, ভাত খাই থাকোতে কথা পাতিব নাপায়, খোজনীয়াক বিমুখ কৰিব নাপায়, ঘৰত ল'ৰা-ছোৱালীৰ অসুখ হ'লে মগনীয়াক একো দিব নাপায়, ইত্যাদি এশ এবুৰি নোপোৱা কথা আমাৰ সমাজত আজিও প্ৰচলন হৈ আহিছে। লিখি শেষ কৰিব নোৱাৰি। এইদৰেই মুখে মুখে চলি অহা কথাবোৰ যদি সময় থাকোতেই সংৰক্ষণ কৰা নাযায়, তেতিয়াহ'লে অসমীয়া লোক সংস্কৃতিৰ উপাদানস্বৰূপ লোক ভাষাবোৰ এদিন বিলুপ্ত হ'ব। উঠি অহা-নৱপ্ৰজন্মই এইবোৰ কথা জনাৰ লগতে সংৰক্ষণৰ বাবে গুৰুত্ব দিলে অসমীয়া সমাজ হিচাপে ভৱিষ্যতেও অক্ষুন্ন ৰাখিব।

**মানুহৰ গালৈ থু পেলাব নাপায়, টেঙা-তিতা মিঠা একেলগে খাব নাপায়, আঙুলি জোকাৰি কথা ক'ব নাপায়, মঙ্গলবাৰে শনিবাৰে বাঁহ কাতিব নাপায়, জন্মবাৰত চুলি-দাৰি কাটিব নাপায় কাগজ পুৰিব নাপায়, কলৰ ঠোক পাৰোতে আঠুত লগাব নাপায়, গছত মানুহ উঠিলে গছৰ তলৰ পৰা মাতিব নাপায়, (মানুহজ পৰি যাব পাৰে) খেলুৱৈ মেলুৱৈ হ'ব নাপায়, ধান-মাহ পাণ তামোল একেলগে থব নাপায়, হাঁহ কৰিব নাপায়, তিৰোতা গৰ্ভৱতী হ'লে স্বামীয়ে জীৱ-জন্তু হত্যা কৰিব নাপায়,গৰ্ভৱতী তিৰোতাই দুপৰীয়া খালৰ ঘাটত যাব নাপায় আৰু কথা লগাই ফুৰিব নাপায়....**




# ‘এনিমেল’, বক্স অফিচত চুপাৰ হিট

বছৰৰ শেষৰ মাহটো ৰণবীৰ কাপুৰৰ কেৰিয়াৰৰ বাবে অতি ভাল বুলি প্ৰমাণিত হ’ল, কাৰণ ১ ডিচেম্বৰত তেওঁৰ ছবি ‘এনিমেল’ ছবিগৃহত মুক্তি পালে আৰু এই চিনেমাখন তেওঁৰ কেৰিয়াৰৰ হিট চিনেমা বুলি প্ৰমাণিত হ’ল। শ্বাহৰুখ খানৰ ‘জৱান’ৰ পিছত ২০২৩ চনৰ দ্বিতীয় সৰ্বাধিক উপাৰ্জনকাৰী ছবি হিচাপে পৰিগণিত হৈছে ৰণবীৰ কাপুৰৰ ছবি ‘এনিমেল’। ছেম বাহাদুৰৰ সৈতে ডাঙৰ পৰ্দাত আঘাত হানিলে এনিমেল চিনেমা। ঘৰুৱা বক্স অফিচত ভাল ব্যৱসায় কৰিছে ছবিখনে। মুক্তিৰ ২১ দিনৰ পিছত বিশ্বজুৰি ইয়াৰ সংগ্ৰহ কেনেকুৱা হৈছে চাওঁ আহক। ৰণবীৰ কাপুৰ, ববি দেউল আৰু ৰশ্মিকা মাণ্ডন্নাই অভিনীত ছবি এনিমেল ঘৰুৱা বক্স অফিচত ভাল উপাৰ্জন কৰিছে যদিও এতিয়া ইয়াৰ গতি কিছু লেহেমীয়া হৈছে। আনহাতে বিশ্বব্যাপী চিনেমাবোৰে এতিয়াও নিজৰ যাদু দেখুৱাই আছে। মুক্তিৰ ২১ দিনৰ পাছতো ছবিখন ক্ৰমাগতভাৱে আগবাঢ়িছে। সাকনলিকৰ বাতৰি অনুসৰি বুধবাৰে ৮৫১ কোটি টকা উপাৰ্জন কৰা এনিমেল ছবিখনে বৃহস্পতিবাৰৰ একক দিনটোত সমগ্ৰ বিশ্বতে প্ৰায় ৮ কোটি টকা উপাৰ্জন কৰিছে। এনে পৰিস্থিতিত এই চিনেমাখনে এই পৰ্যন্ত বিশ্বজুৰি মুঠ ৮৫৯ কোটি টকা উপাৰ্জন কৰিছে। বিশ্বজুৰি এই ছবিখনে উপাৰ্জনৰ ক্ষেত্ৰত ছলমান খানৰ ‘টাইগাৰ ৩’ আৰু ছানী দেউলৰ ‘গাদাৰ ২’ ছবিখন এৰি থৈ গৈছে। এতিয়া ২১ ডিচেম্বৰত শ্বাহৰুখ খানৰ ডাংকি আৰু ২২ ডিচেম্বৰত প্ৰভাসৰ ছালাৰ ছবিও ডাঙৰ পৰ্দাত মুক্তি পাইছে। এনে পৰিস্থিতিত এই ছবিবোৰে বক্স অফিচৰ সংগ্ৰহত এনিমেলক পৰাস্ত কৰি অভিলেখ ভংগ কৰিব পাৰিবনে নাই সেয়া চাব লাগিব, কাৰণ অনুৰাগীৰ মাজত দুয়োখন ছবিৰ বাবে প্ৰচণ্ড উন্মাদনা আছে।












# ২০২৩ বৰ্ষৰ বহুচৰ্চিত গান

এফালে মানুহে ২০২৩ বৰ্ষৰ পৰা বিদায় ল'বলৈ ওলাইছে। আনহাতে, ২০২৪ বৰ্ষটোক আদৰিবলৈ সকলোৱে যেন উৎসাহিত হৈ পৰিছে। এই বছৰে সকলোকে সুখ দি আছে। বহু ছুপাৰহিট ছবি এইবাৰ চলচ্চিত্ৰ জগতত আহিছিল। এই ছবিবোৰতকৈ তেওঁৰ গীতৰ ওপৰত অধিক চৰ্চা হৈছিল। এনে পৰিস্থিতিত আমি আপোনালোকৰ বাবে লৈ আহিছো সেই গীতবোৰৰ প্লেলিষ্ট, শুনি আপুনি আপোনাৰ নতুন বছৰটোক আৰু অধিক আচৰিত কৰি তুলিব পাৰিব। ৰজনীকান্তৰ 'জেলাৰ' ছবিৰ 'কাৱলা' গীতটো মানুহে বৰ ভাল পাইছিল। এই গীতটোত শ্ৰেয়া ঘোষল আৰু অনিৰুদ্ধ ৰবিচন্দৰে কণ্ঠ দিছে। অভিনেত্ৰী তামানাহ ভাটিয়াই





ইয়াত এক সুন্দৰ নৃত্য কৰিছিল। 'জাৰা হাটকে জাৰা বাচকে'ৰ দ্বিতীয়টো গীত 'তো হায় ফিৰ ঔৰ ক্যা চাহিয়ে' ইউটিউবত সৰ্বাধিক বাৰ চোৱা আৰু শুনা। বছৰ বছৰ পিছত পুনৰবাৰ 'গাদৰ ২' ছবিৰে পৰ্দাত আধিপত্য বিস্তাৰ কৰে ছানী দেউলে। ছবিখন ছুপাৰহিট হোৱাৰ লগতে ইয়াৰ গীত 'মেইন নিক্লা গড্ডি লেকে'ও ডাঙৰ হিট হৈ পৰে। শ্বাহৰুখ খান আৰু দীপিকা পাডুকনৰ ছবি পাঠান বক্স অফিচত বিপুল হিট হৈছিল। চিনেমাখনৰ বেছাৰাম ৰং গীতটোও বিপুল হিট হৈছিল। এই গীতটি কণ্ঠদান কৰিছিল শিল্পা ৰাৱে। ৰণবীৰ কাপুৰৰ ছবি এনিমেলৰ 'অৰ্জন ভেলী' ২০২৩ চনৰ অন্যতম ভাইৰেল গীত। এই ট্ৰেকটো লিখিছে আৰু গাইছে ভূপিন্দৰ বাব্বলে। এনিমেলৰ জামালু কুডু গীতটোও দৰ্শকে ভাল পাইছে।

## ভগৱান

**হৰিধন ডেকা**

সহস্ৰ সহস্ৰ কোটি মানুহ
আহি আছে গৈ আছে
অনন্ত কালৰ পৰা
খৰস্ৰোতা সময়ৰ
নৈৰ বুকুত
জীৱন ডিঙা বাই বাই
ৰহস্যৰ পম খেদি খেদি!

স্ৰষ্টাৰ সৃষ্টিৰ
প্ৰকৃত অৰ্থ কি?
মানুহ সৃষ্টিৰ অন্তৰালত কি?

সেই কথাটোকেই
ডাক্তৰ খাউণ্ডক
মই কৈছিলোঁ
কেচীখন হাতত লৈ তেওঁ
মোৰ কাষত থিয় হোৱাৰ
লগে লগে।

হয়তো এই ঘটনা-পৰিঘটনাৰ
পৰিক্ৰমাৰ বাবেই ভগৱান!

আমি-আপুনি নিমিত্তহে মাথোঁ।।

## ক্ষয়িষ্ণু ৰ'ব'ট

**নিবেদিতা শইকীয়া**

সম্পৰ্ক এটা জোৰজবৰদস্তি
ধৰি ৰাখিব নোৱাৰি
যেনেকৈ বৰফ এটুকুৰা
হাতৰ মুঠিত নগলাকৈ
ধৰি ৰাখিব নোৱাৰি
গলি গলি বৰফ টুকুৰা
টোপাল টোপালকৈ
সৰকি পৰিবই পৰিব
পাঁচো আঙুলিৰ ফাঁকেৰে

আচলতে সকলো সম্পৰ্কই
আপোনাৰ-মোৰ অজ্ঞাতে
বৰফ গলাদি গলি গলি
খহি থাকে

আমিহে নভবা-নিচিন্তকৈ
সম্পৰ্কবোৰৰ মৃতদেহবোৰ
কঢ়িয়াই লৈ ফুৰোঁ

সেয়েহে হয়তো জীৱনটো
মাজে মাজে হৈ পৰে
নিষ্প্ৰাণ আৱেগহীন
এটা ক্ষয়িষ্ণু ৰ'ব'ট।

## শিপাৰ শুদ্ধতা

**ডঃ মৰমী বৰঠাকুৰ তালুকদাৰ**

শিপাৰ শুদ্ধতা বিচাৰ কৰে
মাটিয়ে নে মানুহে?

মানুহ মাপ-পৰিমাপৰ চাবিকাঠি
মাটি মৰমৰ

গছৰ পৰা পাত সৰিবলৈ কত পৰ
সেউজীয়া হালধীয়া হোৱাৰ
সময় জোখৰ

শিপাত যেতিয়া লাগি থাকে
মাটিৰ দুখ
সজীৱ হ'ব নোৱাৰে শিপা
নেদেখুৱায় গোপন হাঁহিৰ
সমদল...অহৰহ

পাতবোৰ গছৰ সৌন্দৰ্য
সেউজীয়াৰ সন্তান
সংসাৰৰো

ৰঙীন হওক বা নহওক
সংসাৰী আকাশ
আত্মজ যে ৰংধনু...।

## হিউমেনিজিম

**অপৰ্ণা সোণোৱাল**

এতিয়া কিছুমান পঢ়াৰ বিষয়
পাঠ্যক্ৰমৰ পৰা নিলগাই ৰখা ভাল
বহুত পঢ়োৱা হ'ল ভূগোল বুৰঞ্জী
ৰাজপাট লৈ ভাই-ককাইৰ কটাকটি
বাপেকক বন্দী কৰি
পুতেকে ৰাজপাটত বহাৰ কাহিনী।

অংকৰ হিচাব-নিকাচে
পাৰিব জানো জিনিব
মৰম-ভালপোৱাৰ হৃদয়?

আজি বিশ্বায়নৰ যুগত কিয় লাগে
ভৌগোলিক অৱস্থানৰ জ্ঞান
কিয় লাগে ধৰ্মীয় পাঠৰ সন্ধান

এতিয়াৰ পৰা পাঠ্যক্ৰমত
অন্তৰ্ভুক্ত কৰা হওক
এটা নতুন বিষয়
মানৱতাবাদ- হিউমেনিজিম,
য'ত প্ৰস্ফুটিত হ'ব
মানুহে মানুহ জিনাৰ গান
মানুহৰ মাজত গঢ়ি উঠা
বিভেদ আঁতৰোৱাৰ গান।



## এবুকু দুখ আৰু এখন নৈ

**হিৰণ ভূঞা**

এবুকু দুখৰ তলত
এখন নৈওতো
শুই থাকিব পাৰে

মৰা শিলৰ তলেদিও
জিৰ জিৰ পানী সৰকি থাকে
ভিজা শিলত খোজ কাঢ়ি কাঢ়ি
পাৰ হৈ যায় পদযাত্ৰী

কোনোবাই উম পায়নে
মৰা শিলৰ তলতো যে
থাকে এখন নৈ
যিখন নৈ তলে তলে
হ'ব পাৰে খৰস্ৰোতা

দুখৰ পাৰ ভাঙি
তীব্ৰ গতিৰে
বৈ আহিবওতো পাৰে
সেই নৈ খন!

মহাজীৱনৰ
অবিৰত যাত্ৰাত
সহযাত্ৰী হয়
কেৱল নীৰৱতা

নীৰৱতাৰো ভাষা থাকে
জীৱনক ভাল পোৱাজনেহে
নীৰৱতাৰ ভাষা
অনুধাৱন কৰিব পাৰে

মহাজীৱনৰ মহানন্দ বিচাৰি
জীৱন মাত্ৰেই বোঁৱতী নদী হৈ
বৈ যায় খৰস্ৰোতা গতিৰে
এবুকু দুখ
বুকুৰ মাজত আঁকোৱালি।

## দুৰন্ত গতি

**ড ঃ আৰমেদা আহমেদ**

চোতালত
শতৰুৰ চন্দ্ৰতাপ
ৰামধেনু বৰণীয়া হৈ
জিলিকিছে।
খোজ পেলাব নোৱাৰি
চেপা উত্তেজনাত
চোতাল কঁপিছে।
তাহানিৰ ৰঙে
বৰণ সলাইছে,
যতনাই থোৱাবোৰ
বিশৃংখল..
বিশৃংখলতাৰ
শৃংখলাৱদ্ধ জীৱনশৈলী,
শুষ্ক অধৰ
সূৰুযৰ তাপত
ৰঙাকৈ জ্বলিছে,
তাই দুৱাৰডলিত
থিয় হৈ
কৰণিৰ শব্দ ছটিয়াই,
শব্দময় চোতাল সজাইছে।
আল্পনা যেন জিলিকিছে
প্ৰতিটো শব্দ
কলম
অস্ত্ৰ
বিবেক-প্ৰহৰী
আৱেগ-অনুভূতি নাই
নাম মাত্ৰ
চোতাল গৰকি
নঙলামুখ
নঙলা পালেই
আলিবাট
স্থবিৰ হ'ব নোৱাৰা খোজ,
গতিময় অনন্ত কাললৈ!





## মোহভংগ

**উদ্দীপনা ভূঞা**

যন্ত্ৰৱৎ সাজি আছোঁ
পৰিকল্পনাৰ পিৰামিড...
এটাৰ পিছত এটাকৈ
সমাপন কৰিছোঁ নিৰ্ধাৰিত দায়িত্ব।
এখুজি দুখুজিকৈ বগাই গৈছোঁ
পোৰা নোপোৰাৰ অদেখা সোপান
কিন্তু জীৱনটো যে এটা
জটিল নিমিলা অংক
ভাবো এটা হয়গৈ এটা...
সপোনৰ এমুঠি বাসনাৰ তাড়নাত
সুগভীৰ বুকুৰ স্মৃতিৰ হেন্দোলনিত
অনুভূতি-আৱেগ সকলো একাষে থৈ
কিমান সহজতে এটা সিদ্ধান্ত দিব পাৰি!
ভৰিৰ খোজে স্পৰ্শ নকৰা
শুকান মৰুৰ ৰূপোৱালি দলিচাত
আশাবোৰ কমোৱা তুলা হৈ নাচে।

অনিশ্চয়তাৰ
ওৰণিৰ আঁৰত বৈ বৈ
দুঃশ্চিন্তাবোৰে কেতিয়ানো
জুমি চালে গমকে নাপালোঁ।
চাৰিওফালে মাথোঁ
নৈতিক অধঃপতন,
বৰ্বৰতা, স্বাৰ্থপৰতা,
লোভ আক্ৰোশে আৱৰি ধৰা
অকলশৰীয়া মুহূৰ্তত
নিজকে খুটিয়াই চাওঁ...
দাপোণৰ সন্মুখত বৈ
নিজকে হত্যা কৰা
সেই অপৰাধীক
বিচাৰি চাওঁ
এন্ধাৰবোৰকে
বাৰে বাৰে সোধো
কেনেকৈ বাৰু
এটি মাথোঁ সিদ্ধান্তেৰে
থকা-সৰকা কৰিব পাৰে
বিষাদেৰে সিক্ত অস্তিত্ব
ধূলিসাৎ কৰিব পাৰে
গভীৰ উপলব্ধিৰ আবেশ?

## সময়

**জাহিৰা মুনি**

সময় মাথোঁ তিনিটি আখৰ
ইয়াৰ কোনো পৰিসৰ নাই
নাই কোনো আকৃতি-প্ৰকৃতি
সময়ে নামানে কোনো বাধা
এপলক দুপলককৈ
সময় সলনি হয়।

সময়েই দিয়ে সমাজক
খবৰৰ উপৰি খবৰ
জীৱন-যাত্ৰাত কথাৰ সাগৰ
আকৌ সময়েই দি যায়
সুখৰ খবৰ
দুখৰ খবৰ।

সময় বৰ গতিশীল
সময়ৰ বাবেই
বহুত স্মৃতি ৰঙীন হয়।
আকৌ সময়েই
জটিল কৰে জীৱন।
সময়ৰ সোঁতত
সকলো সলনি হয়
মানুহে মানুহক নিচিনা হয়
আত্মীয়-কুটুম্বতৰ চিনচাব
নোহোৱা কৰে।
হয়তো জ্ঞানীসৰে কৈছিল:
সময়ৰ টিকনি আগফালে উৰে।

## দুৰ্ভিক্ষ

**ড ঃ পইনুৰুদ্দিন আহমদ**

এভাগ ভগা খিৰিকীৰ আইনাত
গাভৰু ৰাতি
ভৰুণ জোন
পঁপুৰৰ নিক্কণ
চাবুকৰ চৰত
অৰণ্যলৈনো কিমান বেলিৰ বাট!
আঃ জোনজনীৰ ইমানটো লাজ
দেহা শুৱাই পিন্ধিছে বণিকৰ
অনুগ্ৰহৰ সোণালী সাজ
মিছাই মৰিছ নেকি
সাজি কাচি তেজীমলা?
কথাৰ নাপাৰ একো উলামূলা
কোৰঁৰো নাহে সদাগৰো নাহে
নাৱত নানে সাগৰৰ সুগন্ধী ফুল
ইবোৰ মাথোঁ সংস্কৃতিৰ
বেপাৰীহঁতৰ ছয়ামায়া ভেল্কিবাজি
(কিয় আছ চকুলো মচি)
হেৰাই পেলালি নেকি কঁকালৰ বল
এতিয়া মাথোঁন খোৱাৰ পাল
সম্ভাৱৰ ভৰত ভাঙো ভাঙো মেজ
সৌৱা কুকুৰ দুটাৰ যুদ্ধ
ডাষ্টবিনত এডাল হাড়ৰ বাবে।

## আঘোণৰ কবিতা

**লক্ষ্মী প্ৰসাদ ৰেগন**

শাওণতেই কথা দিছিলোঁ
মই পথাৰক
আঘোণত এটা কবিতা লিখিম

সেই কথা মনত ৰাখিছোঁ
মনত ৰাখিছোঁ
পথাৰ আৰু মই

আঘোণৰ বিৰিয়া
দেউতাৰ কান্ধ
আৰু উদং ভঁৰালত
চিকুণ নিগনিৰ দৌৰ


হিম চেঁচা নিয়ৰৰ ভৰ
সহিব নোৱাৰি
সামান্য দোঁ খাইছে
ধানথোক

মাজে মাজে
দাৱনীৰ আৰ্তনাদ-প্ৰলাপ
ক'ত হেৰাই গ'ল
কেনি গ'ল
কেতিয়া আহিব
ৰ'দ?

কুঁৱলীৰ ঢাকোন খুলি
এইমাত্ৰ নামিব লাগিছে
ৰ'দ-ঘাই আঘোণৰ
কবিতা এটা

কবিতাটো পঢ়ি
কবিক ধন্যবাদ দিছোঁ
অন্তৰৰ পৰা -
কবি কুশলে থাকা
কবিতাক পোহপাল দি।





## সোঁৰণশিৰী হ'বনে গৰ্ভৱতী

**কন্দৰ্প কুমাৰ কলিতা**

ইয়াত এখন নদী আছিল
খৰস্ৰোতা নদীখন
কুলু কুলু শব্দেৰে বৈ গৈছিল
আধুনিক বিজ্ঞান প্ৰযুক্তিৰ
চমকপ্ৰদ উন্নয়নৰ
শক্তি উৎপাদনৰ চিন্তাৰে,
নদীৰ বক্ষত দিয়া হৈছিল
বৃহৎ বৃহৎ বান্ধ
এতিয়া নদীখন শুকাই গ'ল,
সোঁৰণশিৰীৰ বুকুত বুটলিছিল
সোণৰ চেঁকুৰা,
মাছ-কাছ শামুক আৰু শিহুৱে
জলকেলি কৰিছিল
জৈৱ বৈচিত্ৰ্যৰ সম্ভাৰ,
নয়নাভিৰাম প্ৰকৃতি
নদীখনে কৈছিল বহু কথা

সভ্যতাৰ জীয়া ইতিহাস
চিএৰি আছিল জংকী
পানেইৰ যুগমীয়া প্ৰেম কাহিনী,
এতিয়া মৰুভূমিৰ উপত্যকাত
সোঁৰনশিৰী,
অনাদি-অনন্তকাল
সাগৰমুখী সপোন এটা
বৈ থকাৰ শৈলজ-প্ৰতিশ্ৰুতি

নদীৰ বুকুত ধংসৰ গৰ্জন
আৰু মৃত্যুৰ কিৰিলি,
শুকান বালিত মুখ গুজি পৰি আছে
চিৰ-যৌৱনা সোঁৰণশিৰীৰ
সেউজ উপকূল,

এখন নদীৰ মৃত্যু হ'ব
সোঁৰণশিৰীৰ জলবিদ্যুৎ প্ৰকল্পৰ
বিদ্যুৎৰ পোহৰত জিলিকি থাকিব
কৃষকৰ জীয়া বেদনাঙ্গআৰু
নৈপৰীয়া সভ্যতাৰ মৰ্মন্তুদ ইতিহাস

ক'ৰবাত শুনা পালোঁঙ্গসেই একেটা কথা
সোঁৰণশিৰী আৰু নহয় গৰ্ভৱতী
সোঁৰণশিৰী আৰু নহয় গৰ্ভৱতী।

## মোৰ বাবে কবিতা

**ৰীতামনি বায়ন**

হে মোৰ সুবিশাল হৃদয়!
তোমাৰ বুকুতেই ৰোপিত হয়
চিৰযুগমীয়া কাব্যৰ বীজ।
চিকাৰ প্ৰেমী চকুযুৰিত
জগতত সংঘটিত ঘটনা প্ৰবাহৰ
সহিব নোৱৰা ভৰ!
তাকে দেখি হৃদয়ে দুৱাৰ খোলে
আঁকোৱালি ধৰে সমস্ত ভুবনৰ
দৃশ্যমান আৰু দৃশ্যাতীত ভৰক।
মনৰ গহন কোণ হৈ পৰে
কবি আৰু কবিতা গঢ়াৰ
এক বৌদ্ধিক কাৰখানা।
বিস্ময়াভূত মই!
মোৰ অন্তঃস্থল খেপিয়াই চালেই
দেখা পাওঁ মই
অতীত অভিজ্ঞতাৰ পোহাৰ,
আৰু ঠিক তেতিয়াই
মোৰ মনে বিচাৰে
অস্পষ্ট ভাবৰাশিক
শব্দৰ এনাজৰীৰে বান্ধি
ছন্দোৱদ্ধ সমগ্ৰতাৰে
সজাই- পৰাই
ভাবৰ মাহাত্ম্যৰে
হৃদয় মন্দিৰৰ দেৱালত
ভাবৰ উদ্দীপনী শিখা
প্ৰজ্বলিত কৰিবলে'।



## অনুভৱৰ নিজৰা

**পল্লৱী ডেকা ৰয় অধিকাৰী**

এদিন জোনাকে
মৌলৈ চাই হাঁহিব
তৰাবোৰে মোৰ বাবে
জিক মিক পোহৰৰ
মেলা পাতিব
জোনাকীৰ অমিয়া মৰমত
মই যেন বিলীন হৈ যাম
সৰগৰ পৰীজনী হৈ...

আকাশত মেঘৰ মাদলে
মোৰ বাবে লহৰ তুলিব
জিক মিক ৰূপালী জোনাকে
কোনো এটা চন্দ্ৰাৱলী নিশা
মোৰ কাণে কাণে কৈ যাব
হৃদয় চুই যোৱা
সেই অনুভৱৰ পাতনি..


জোনাকে সিঁচিব
আশাৰ পাপৰি
তৰাবোৰে ৰচিব
প্ৰেমৰ ৰাগিণী
মন-মন্দিৰত প্ৰস্ফুটিত হ'ব
মধুময় আৱেগৰ ধ্বনি
অনুভৱৰ নিজৰাত বৈ যাব
এখনি প্ৰেমৰ আলোকিত ছবি...।

## অব্যক্ত বেদনা

**ধৰিত্ৰী চৌধুৰী ৰাজবংশী**

বন্ধ হৃদয়ৰ মণি-কোঠাত
অব্যক্ত বেদনা
ৰ দপ্‌দপনি
দহিছে তাইক জ্বলন্ত শিখাই
সাঁচি ৰখাৰ নাই যে হেঁপাহ
খুলিব বিচাৰিছে বন্ধ তলা
উজাৰি দিব বিচাৰে মনৰ বেথা
সেয়ে বিচাৰি ফুৰিছে চাবি-কাঠি
খুলিব পাৰিলে বন্ধ তলা
বিষাদ-বেদনা জাহ যাব
নলা-নৰ্দমাৰ বুকুত
আনন্দৰ নিজৰা ব'ব
ভাগি যোৱা হৃদয় কোঠালিত

তাৰ পিছত নিশ্চয়
তাই পৰমাত্মাৰ সৈতে
মিলন হ'ব পৰামাত্মাৰ বুকুত
খুলিব দিব তাইৰ তলা-চাবি
কিম্বা তাই মুক্ত হৈ যাব
মুক্ত পখীৰ দৰে
আৰু বিলীন হ'বগৈ
আকাশৰ গভীৰ নীলাৰ বুকুত।



## নদী নীৰৱধি

**ৰেখাৰাণী বৰ্মন**

ইচ্ছা থকা হ'লে তেওঁৰ পৰাই
শিকি ল'ব পাৰিলোহেঁতেন
ত্যাগ আৰু সৃষ্টিৰ কথা।
চেষ্টা কৰা হ'লে
বুজি ল'ব পাৰিলোহেঁতেন
হেঁপাহ আৰু বেথাৰ ভাষা।

অভ্যাস কৰা হ'লে
সহবাসো কৰিব পাৰিলোহেঁতেন
তেওঁৰ বুকুত উঠা উৰ্মিৰ স'তে।

ভাল পাব শিকিলোহেঁতেন
মাটি আৰু মানুহক।

অথচ ধূসৰ দিনৰ পাণ্ডুলিপিত
কোনোদিনে লিখা নহ'ল
অৰণ্যৰ কথা
ঋতুৱে বৰণ সলোৱাৰ কথা।
কেৱল কঁপি উঠা বুকুত
বাঢ়ি অহা মঙহৰ খহি পৰা বাটত
নহ'লেনো কিয় আওৱাব লগা হ'ল
দুখৰ সোঁতত বুৰ যোৱা
ক্লান্ত-ৰুদ্ধ সেমেকা কবিতাৰ সুৰ?
কিয় গুণ -গুণাই শুনাব লগা হ'ল
কুলু কুলু সুৰত বাজি থকা
সংগমৰ মুহূৰ্তৰ
সুললিত সুৰৰ সংগীত?


অথচ তেওঁৰ ইচ্ছাৰ বিৰুদ্ধেই হয়
ধ্বংসলীলাৰ চূড়ান্ত ভাওনা।
তথাপিও তেওঁ কঢ়িয়াই লৈ ফুৰে
ওৰে দিন ওৰে ৰাতি
জীয়া বাস্তৱৰ দলিল।
কিন্তু কিমানে ৰাখিছে হিচাব
কিমানৰ প্ৰাণ হানি হ'ল
তেওঁৰ বুকুত?
কিমানৰ ভেটি-মাটি জাহ গ'ল
বৰ্ষাঘন দিন-ৰাতিত?
অথচ পানীয়ে প্ৰাণীৰ প্ৰাণ
তেওঁৰ পৰাই ল'ব পাৰোচোন সভ্যতা-সংস্কৃতি
জ্ঞান
জীৱন ধাৰণৰ সন্ধান!

## জীৱন বিন্যাস

**লাৱণ্য নাথ**

গজি উঠে অভিজ্ঞতাৰ বীজত
এটা সেউজ সপোন;
ঠনধৰি উঠে দিনৰ পাছত দিন
নিৰালস্য বিন্যাসেৰে বুকুত ৰচে
এসাগৰ গান।
তিতা মিঠা হেজাৰ আস্বাদে সখী পাতে
জীৱনৰ বাটত ...
ক'বলৈ খোজা বা ক'বলৈ নোখোজা
আল্পনাবোৰে আঁকি থৈ যায়
মন আকাশত
অভিজ্ঞতা যাৰ নাম।

অতীত, বৰ্তমান নে ভৱিষ্যত
ক'ত উলমি থাকে মনটো নাজানো
জানো অন্তঃ শলীলা এখনি নৈৰ
অনুৰণন শুনোঁ প্ৰতিপল।
পৰিৱৰ্তনৰ গতিত হয়তো
বিচলিত চিন্তাৰ আয়ুস।



## ধানৰ চৈঁত সুঁহুৰিৰ মাত

**অজিত কুমাৰ হাজৰিকা**

ৰ'দত ঘামি
বৰষুণত তিতি
সুঁহুৰি এটা
অহা-যোৱা কৰি
পথাৰ চহালে
মৈয়ালে
বোকা-পানী আৰু
পানী-বোকাৰে
সমাৰ বালে

মাটিত
মুঠি-মুঠি সপোনৰ
গোছ লোৱাৰ পিছত
দিন পাৰ হ'ল
কঙালী পাৰ হৈ
ভোগালী আহিল

এতিয়া ধানৰ চৈঁত
ভৰপক সুঁহুৰিৰ মাত।

# '২৪ ৰ যুঁজ

(চতুৰ্থ পৃষ্ঠাৰ পৰা) এটা প্ৰক্ৰিয়াও চলি আছে। যদি এই প্ৰক্ৰিয়া ফলৱতী হয়, তেন্তে অহা সাধাৰণ নিৰ্বাচনত যোৱাবাৰৰ দৰেই জনতাৰ অন্তৰ জয় কৰাটো এন ডি এৰ বাবে সিমান সুচল হৈ নাথাকিব। যোৱাবাৰ যিদৰে মোদী ছুনামিয়ে নিৰ্বাচনী বতাহ গৰম কৰি ৰাখিছিল, এইবাৰ সেই পৰিস্থিতি নাই। বৰঞ্চ নিৰ্বাচনৰ সময়ত বিজেপি তথা এন ডি এ আৰু নৰেন্দ্ৰ মোদীয়ে সভা-সমিতিত দিয়া একাধিক প্ৰতিশ্ৰুতি ভংগ কৰাৰ অভিযোগ উত্থাপিত হৈ আছে। বিভিন্ন ৰাজ্যত চৰকাৰে ইতিমধ্যে দিয়া অসাৰ প্ৰতিশ্ৰুতিবিলাকৰ কথা ৰাইজৰ মাজত বিৰোধী দলসমূহে ব্যাপক ৰূপত প্ৰচাৰ কৰিছে। সেয়ে, এনে ক্ষেত্ৰত ঘোষিত নতুন আঁচনিয়ে কিমান কামত দিয়ে দেখা যাব।

# পৰিৰেশ প্ৰদূষণ আৰু মানৱ সমাজ

(চতুৰ্থ পৃষ্ঠাৰ পৰা) ইমান শক্তিশালী যে সৌৰশক্তি আৰু জীৱজগতত থকা বিভিন্ন পদাৰ্থৰ সহায়ত কাৰ্বহাইড্ৰেট প্ৰস্তুত কৰি কোনো অপদাৰ্থ নিজৰ বাবে সৃষ্টি নকৰে। ই বায়ুমণ্ডলৰ ধূলিকণাবোৰ ধৰি ৰখাৰ উপৰি পৰ্যাপ্ত পৰিমাণে বৰষুণ অহাত সহায় কৰে। ইয়াৰ উপৰি অক্সিজেন আৰু কাৰ্বনডাই অক্সাইডৰ ভাৰসাম্য আৰু পৃথিৱীৰ ভূ-গৰ্ভৰ ক্ষমতা ৰক্ষা কৰে।

এই সকলোবোৰ জনাৰ পিছতো মানুহে নিৰ্দয়ভাৱে গছ-গছনি কাটি সকলো ধ্বংস কৰিছে, যাৰ ফলত বায়ুমণ্ডলত কাৰ্বনডাই অক্সাইডৰ পৰিমাণ বাঢ়িছে।

পৰিৰেশ প্ৰদূষণৰ আন এটা কাৰণ হ'ল পাহাৰীয়া অঞ্চলৰ লোকসকলে জীৱন নিৰ্বাহৰ অৰ্থে বিভিন্ন ধৰণৰ শস্য উৎপাদন কৰে। ফল প্ৰচুৰ পৰিমাণে আহৰণৰ আশাত প্ৰতিবছৰে গছ-গছনি কাটি মাটিৰ ক্ষয় কৰি ঝুম খেতি কৰে। এনেকৈ প্ৰতিবছৰে যদি বনভূমি ধ্বংস কৰি হ্ৰাস কৰিবলৈ হয় অসমখন এদিন মৰুভূমিত পৰিণত হ'ব।

তাৰ পৰিৱৰ্তে প্ৰদূষণ প্ৰতিকাৰৰ বাবে উন্নত দেশবোৰত ৰাজপথৰ কাষে কাষে বৃক্ষ ৰোপণ আৰু ৰাজপথৰ মাজতো সুন্দৰকৈ উদ্ভিদ ৰোপণ কৰে। প্ৰদূষণ বিভীষিকাৰ পৰা ৰক্ষা পাবলৈ হ'লে আমি প্ৰত্যেকে গছ- গছনি ৰোপণ কৰি সহায় কৰিব লাগিব অৰ্থাৎ সমাজৰ প্ৰত্যেকজন বক্তি সজাগ আৰু সচেতন হ'ব লাগিব। আৱৰ্জনাবোৰ সদায় ৰাজহুৱা ভাৱে সুনিৰ্দিষ্ট ঠাইতহে পেলাব লাগে। য'তে ত'তে থু-খেকাৰ পেলাব নালাগে। সামাজিক অনুষ্ঠান প্ৰতিষ্ঠানত শৌচাগাৰ প্ৰস্ৰাৱাগাৰ ব্যৱস্থা থকাটোও অত্যন্ত প্ৰয়োজনীয়। গাড়ী মটৰত প্ৰদূষক নিয়ন্ত্ৰণযন্ত্ৰ লগোৱাটো বাধ্যতামোলক হ'ব লাগে। তেতিয়াহে কিছু পৰিমাণে হ'লেও প্ৰদূষণ মুক্ত হ'ব সুস্থ পৰিৰেশ আৰু সুস্থ সমাজ এখন গঢ় লৈ উঠিব।

অৱশ্যে বৰ্তমান প্ৰদূষণ নিয়ন্ত্ৰণৰ ক্ষেত্ৰত আন্তঃৰাষ্ট্ৰীয় পৰিৰেশ সংস্থাসমূহে বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰা পৰিলক্ষিত হৈছে।

# প্ৰতিভাৱান ছাত্ৰৰ সন্ধানত

(পঞ্চম পৃষ্ঠাৰ পৰা) প্ৰমাণ কৰি দেখুৱাইছে যে, প্ৰতিভাৱান হোৱাৰ সুযোগ আমাৰো আছে।"

তেন্তেপ্ৰতিভাৱান হ'ব পৰা যায় কেনেকৈ? ছালোৰে কৈছে জন্মক্ৰমে প্ৰভাৱিত কৰিলেও সেইয়া একমাত্ৰ কাৰক নহয়। পৃথিৱীৰ বহু প্ৰতিভাধৰ লোকে সংঘাট আৰু বিদ্ৰোহৰ বাতাৱৰণত নিজকে নিজৰ বিকাশ ঘটাইছে। ইয়াত কাৰক হিচাপে কাম কৰিছে প্ৰৱল ইচ্ছা শক্তিয়ে। প্ৰৱল ইচ্ছা শক্তিৰে বলীয়ান নেপোলিয়নৰ জীৱনত অসম্ভৱ বুলি কোনো কথাই নাছিল। শ্বপেনহাৱাৰে কৈছে - বুদ্ধি বা মেধা ক্লান্ত হৈ পৰে, কিন্তু ইচ্ছাই টোপনিতো কাম কৰে। নিদ্ৰাত মস্তিষ্কই আহাৰ খায়। কিন্তু ইচ্ছাক খাদ্যও নালাগে।

প্ৰৱল ইচ্ছাশক্তি, অনুশীলন আৰু পৰিশ্ৰম, এই তিনিটা কাৰকেই সাধাৰণতে এজন ব্যক্তিক প্ৰভাৱশালী কৰি গঢ়ি তুলিব পাৰে যদিও প্ৰতিভাৱান হোৱাৰ ক্ষেত্ৰত সেইয়াই যথেষ্ট নহয়।

ইচ্ছাশক্তিৰ পিছতে থাকিব লাগিব সাহস। চেমুৱেল স্মাইলছে সাহসৰ সম্পৰ্কত কৈছে অতি গুৰুত্বপূৰ্ণ কথা, "উচ্চতম পৰ্যায়ৰ পুৰুষত্ব আৰু নাৰীত্বৰ বৈশিষ্ট্য হ'ল নৈতিক সাহস। এই সাহস হ'ল প্ৰলোভন প্ৰতিৰোধ কৰাৰ সাহস, নিজৰ কৰ্তব্য পালনৰ সাহস। এই সাহস হ'ল ইচ্ছাক বাস্তৱায়িত কৰাৰ সাহস।

ইচ্ছাক বাস্তৱায়িত কৰাৰ পূৰ্ব চৰ্তই হ'ল স্বাধীনতা। এই ছাত্ৰ বা ছাত্ৰীৰ স্বাধীনতাপ্ৰিয়তাই আশা, ইচ্ছা, সাহসৰ বীজমন্ত্ৰ। বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ চৰিত্ৰ গঠন আৰু প্ৰতিভাৰ বিকাশৰ ক্ষেত্ৰত শিক্ষক-অভিভাৱকসকলে প্ৰদান কৰিবলগীয়া শিক্ষা (Teaching) কোন কেইটা মাইলষ্টোনত নিৰ্ভৰশীল হ'ব?

আশা, ইচ্ছা, স্বাধীনতা, অনুশীলন আৰু পৰিশ্ৰমৰ অভ্যাস গঢ়ি দিয়াটো শিক্ষাপ্ৰদানৰ মূল উদ্দেশ্য হ'লেহে শিক্ষাদান সম্পূৰ্ণ হ'ব। ছাত্ৰ-ছাত্ৰীৰে অনুভূতিক বিকাশৰ দিশত গুৰুত্ব প্ৰদান নকৰি কেৱল তথ্য বা কাহিনীৰে প্ৰদান কৰা শিক্ষাৰ ফচল 'প্ৰতিভাৱান' যে হ'ব নোৱাৰে সেয়া সহজে অনুমেয়।

# চছিয়েল মিডিয়া বনাম টেলিভিশ্যন

( ষষ্ঠ পৃষ্ঠাৰ পৰা) have declared that the powers of the nation pictures as organs of public opnion are nit lessined by the fact that they are derined primarily to entertain.গতিকে বিশেষজ্ঞ বা চিন্তাশীল মহলে সৰু পৰ্দাখনৰ পৰা সমাজৰ শিশু কিশোৰ সকলক সাৱধানে ৰাখিবলৈ সকীয়নি দি আহিছে। মাৰ্টিন লুথাৰ নামৰ চিন্তাবিদজনে তেওঁৰ অধ্যয়নত নিৰ্দেশনা দি কৈছে যে শিশু বা ল'ৰা ছোৱালীয়ে তেওঁলোকৰ মনৰ পচন্দৰ অভিনেতা বা অভিনেত্ৰীক অনুকৰণ কৰে। শিশুহঁতে মন পচন্দ বা চিনেমাৰ অভিনেতা বা অভিনেত্ৰীৰ ভাল বেয়া সকলোবোৰ গুণ আয়ত্ব কৰে দৃশ্য-শ্ৰব্য মাধ্যমৰ যোগেদি। বহুজন সমাজ সচেতন লোক মতামত এয়ে যে-- বহু শিশুৱে পঢ়া শুনা বা নিয়মিত খেলা ধূলাৰ ফালে পঠি দি টেলিভিছনৰ অনুষ্ঠান সমূহৰ বেছিভাগতে যৌনতা বা প্ৰেম প্ৰীতিক অধিক প্ৰাধান্য দিয়া হয়। তাৰফলত পৰিয়ালৰ সকলো সদস্যই একেলগে টেলিভিছন চোৱাতো বিপদজনক হৈ পৰিছে। বহু শিশুৱে টেলিভিছনত দেখা ঘটনাবোৰ বাস্তৱত পৰিণত কৰি চাবলৈ কুণ্ঠাবোধ নকৰা হৈছে। বহু অনুষ্ঠানত দেখুওৱা হত্যা, ধ্বংস, যৌনতা, ধৰ্ষণ, অপহৰণ আৰু বিজ্ঞাপনত দেখুওৱা সামগ্ৰীবোৰে শিশু, ল'ৰা-ছোৱালীবোৰক শাৰিৰীক মানসিকভাৱে ক্ষতিগ্ৰস্ত কৰিছে। টেলিভিছন অধিক চোৱা শিশু কিশোৰসকলৰ কম বয়সতে এলাহ, দীৰ্ঘসুত্ৰিতা মনোভাৱ গঢ়ি উঠে আৰু সময়ৰ দৰে অমূল্য ধনৰ প্ৰচুৰ অপচয় হয়। তেনে শিশুৱে ভৱিষ্যতে আদৰ্শ নাগৰিক হোৱাৰ সম্ভাৱনা খুবেই কম। চিৰিয়েল, চিনেমা, ক্ৰিকেট খেল ইত্যাদি কেৱল টিভিৰ অনুষ্ঠান চাই শিশুসকলে দিনটোৰ বেছিভাগ সময় পাৰ কৰি ভৱিষ্যত জীৱন কেনেদৰে ধ্বংস কৰে সেয়া সকলো অভিভাৱক বা পিতৃ-মাতৃয়ে বুজি নাপায়। বহু শিশু-কিশোৰে নিজৰ ঘৰতে উপলব্ধ চিনেমা, ভিচিডিৰ কেছেট, ব্লু ফিল্মৰ কেছেট নিজে অকলশৰে থকা অৱস্থাত চাই ধ্বংসৰ পথলৈ গতি কৰা দেখা যায়। বহু শিশু , ছাত্ৰ-ছাত্ৰীয়ে টেলিভিছনক জ্ঞান আৰু মনোৰঞ্জনৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰাৰ পৰিৱৰ্তে সময় কটোৱা আহিলা হিচাপেহে ব্যৱহাৰ কৰি সৃষ্টিশীল মনটো ধ্বংস কৰা পৰিলক্ষিত হয়। আজিৰ শিশুৱে ঘৰতে যদি বিভিন্ন ক্ষেত্ৰত জ্ঞান আহৰণ কৰাত টেলিভিছনৰ অৱিহণা অপৰিসীম। সমগ্ৰ পৃথিৱীৰ বা-বাতৰি, আৱিস্কাৰ, বৈচিত্ৰতা ইত্যাদি দিশত শিশুৱে অভিনৱভাৱে উপকৃত হ'ব পাৰে। বিভিন্ন উপকাৰী অনুষ্ঠান, সামাজিক-সাংস্কৃতিক আদি অনুষ্ঠানৰ যোগেৰে শিশুসকলে ভৱিষ্যত বাট বুলিবলৈ সহজ হয়। শিশু, ছাত্ৰ-ছাত্ৰীসকলক পাঠ্যপুথিৰ জ্ঞান, ব্যৱহাৰিক জ্ঞানৰ উপৰিও টেলিভিছনৰ দৰে সহজলভ্য জ্ঞানৰ ভঁৰালক ব্যৱহাৰ কৰিবলৈ দিলে প্ৰভূত উপকাৰ হ'ব পাৰে।

টেলিভিছন চোৱা কথাটোক শিশুটিৰ ওপৰত এৰি নিদি বয়সস্থসকলে বা পিতৃ-মাতৃয়ে নিৰ্ধাৰণ কৰি দিয়া উচিত। গ্ৰন্থ অধ্যয়ন ব্যৱহাৰিক জ্ঞানবৰ্ধক কাম, ব্যায়াম, খেলাধুলাৰ সময়ত কৰিব দিলে শিশু বা ছাত্ৰ-ছাত্ৰীসকলৰ সৰ্বাংগীন উন্নতি আশা কৰিব পাৰি। আমেৰিকা যুক্তৰাষ্ট্ৰৰ এদল বিশেষজ্ঞই সেই দেশৰ 163 জন শিশুৰ মাজত সমীক্ষা চলাই গম পাইছিল যে চিনেমা চোৱা শিশুৰেই মাজনিশালৈকে টোপনিত ব্যাঘাত জন্মিছিল। এই ব্যাঘাত জনিত কাৰণ- --বয়স, লিংগ আৰু মানসিক অসস্থাৰ ওপৰত নিৰ্ভৰ কৰিছিল। আমাৰ দেশৰ প্ৰতিখন গাঁৱতে টেলিভিছনৰ পয়োভৰ দিনক দিনে বাঢ়ি আহিব ধৰিছে। ফলত চহৰ বা গাঁও সকলোতে শিশু আৰু কিশোৰসকল উপকাৰতকৈ অপকাৰৰ প্ৰাধান্য বেছি হ'ব ধৰিছে। গ্ৰামাঞ্চলবোৰতো চিডি, কেছেটৰ বিপনী-কোনো নীতি নিয়ম আইন কানুন নামানি প্ৰস্তুত কৰা কেছেটবোৰে কম বয়সীয়া সকলক অপকাৰ কৰাটো ধুৰূপ। টেলিভিছনৰ সমূহ কাৰ্যসূচী ৰুচিসন্মত আৰু মানৱীয় অনুভূতি জাগ্ৰত কৰা ধৰণৰ হোৱা উচিত। সেয়েহে সমূহ জনসাধাৰণ সচেতন হোৱাটো জৰুৰী। এইক্ষেত্ৰত জনমত হ'ব লাগে যে পৰিয়ালৰ প্ৰতিটো সদস্যৰ বাবে টিভিয়ে মনোৰঞ্জনৰ লগতে যথেষ্ট পৰিমাণৰ উপকাৰ সাধে। সেয়েহে জনসাধাৰণে সংশ্লিষ্ট কৰ্তৃপক্ষক বাধ্য কৰাব লাগিব। টেলিভিছন আৰু শিশু বিষয়টোৰ অন্ত নাই। কিন্তু চিন্তাবিদ সকলে গুৰি ধৰিআজিৰ শিশু কিশোৰ সকলক বাস্তৱিকতে সচেতন কৰি দি টেলিভিছনৰ উপকাৰ গ্ৰহণ কৰি ভৱিষ্যত জীৱন সফল, সু-শৃংখলিত কৰিবৰ সময় সমাগত।

# চুপ, সংসদ চলিছে, কোনো প্ৰশ্ন নহয়

(প্ৰথম পৃষ্ঠাৰ পৰা) দলৰ ১৪১ জন সাংসদক নিলম্বন কৰা হয়, ইয়াৰে অধিকাংশই অসৎ আচৰণৰ বাবে শীতকালীন অধিৱেশনৰ বাকী সময়ছোৱাৰ বাবে নিলম্বনৰ সন্মুখীন হ'বলগীয়া হয়। ইয়াৰ উপৰিও বিশেষাধিকাৰ সমিতিক কিছুমান সদস্যৰ গুৰুতৰ অসৎ আচৰণৰ তদন্তৰ দায়িত্ব দিয়া হৈছে। নিৰাপত্তা ভংগৰ ঘটনা সন্দৰ্ভত বিৰোধীয়ে গৃহমন্ত্ৰী অমিত শ্বাহৰ পৰা বিবৃতি বিচাৰিছিল। ইয়াৰ পাছতে অধ্যক্ষই সংসদৰ সদস্যসকললৈ এখন পত্ৰ প্ৰেৰণ কৰি স্পষ্ট কৰি দিয়ে যে এই নিলম্বন নিৰাপত্তা ভংগ সম্পৰ্কীয় অনুৰোধৰ সৈতে জড়িত নহয়, বৰঞ্চ প্লেকাৰ্ড প্ৰদৰ্শন আৰু বিঘিনি ঘটাৰ বাবেহে। বুধবাৰে লোকসভাই ভাৰতীয় ন্যায় (দ্বিতীয়) সংহিতা, ২০২৩, ভাৰতীয়নাগৰিক সুৰক্ষা (দ্বিতীয়) সংহিতা, ২০২৩, আৰু ভাৰতীয় সাক্ষ্য (দ্বিতীয়) বিধেয়ক, ২০২৩ত অনুমোদন জনায়। এই আইনসমূহে ১৮৬০ চনৰ পৰা ভাৰতীয় দণ্ডবিধি (আই পি চি) ফৌজদাৰী প্ৰক্ৰিয়া সংহিতা (চি আৰ পি চি), আৰু ১৮৭২ চনৰ পৰা ভাৰতীয় প্ৰমাণ আইনখনৰ বিকল্প হিচাপে কাম কৰিব। লোকসভাত তিনিখন বিধেয়ক সন্দৰ্ভত আলোচনাৰ প্ৰতিক্ৰিয়াৰ সময়ত অমিত শ্বাহে উল্লেখ কৰে যে প্ৰায় ১৫০ বছৰ পুৰণি দীৰ্ঘদিনীয়া অপৰাধমূলক ন্যায় ব্যৱস্থা নিয়ন্ত্ৰণ কৰা তিনিখন আইন প্ৰথমবাৰৰ বাবে সংশোধন কৰা হৈছে। ২২ ডিচেম্বৰত সমাপ্ত হোৱাৰ কথা আছিল সংসদৰ শীতকালীন অধিৱেশন।

# ৰাজ্যত ১০ লাখ লোকক নতুনকৈ ৰেচন কাৰ্ড বিতৰণৰ প্ৰস্তাৱ চৰকাৰৰ

(দ্বিতীয় পৃষ্ঠাৰ পৰা) এই কাৰ্ডৰ জৰিয়তে হিতাধিকাৰীসকলে হাস্পতালত 5 লাখ টকালৈকে বিনামূলীয়া চিকিৎসা লাভ কৰিব। হিতাধিকাৰীসকলে মাথো আঙুলিৰ চাপ দি কাৰ্ডসমূহ সংগ্ৰহ কৰিব পাৰিব। ভাষণত অটল পেঞ্চন যোজনা, জীৱনজ্যোতি বীমা যোজনা আৰু সুৰক্ষা বীমা যোজনাৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে গৰিষ্ঠ সংখ্যকে এই যোজনা সমূহৰ সম্পৰ্কে জ্ঞাত নহয়। তেওঁ কয় যে চৰকাৰী চাকৰিয়াল সকলৰ বাহিৰে সাধাৰণ লোকসকলৰ বাবে পেঞ্চনৰ সুবিধা নাথাকে। কিন্তু অটল পেঞ্চন যোজনাত নাম লিপিবদ্ধ কৰি নিজাববীয়া বৰঙণি আদায় দি চৰকাৰৰ পৰা পেঞ্চন লাভ কৰাৰ সুবিধা আছে। তেনেদৰে প্ৰধানমন্ত্ৰী সুৰক্ষা বীমা যোজনাত মাত্ৰ 12 টকা প্ৰিমিয়াম দি মটৰ দুৰ্ঘটনাৰ ফলত পৰিয়ালে 2 লাখ টকা পাবলৈ সক্ষম হয়। গৰিষ্ঠ সংখ্যক লোকে আঁচনিবোৰৰ কথা অৱগত নহয় কাৰণে আঁচনিসমূহৰ সুবিধাসমূহ ল'বলৈ অসমৰ্থ হয় বুলিও তেওঁ কয়।

ড০ শৰ্মাই কয় যে ভাৰতৰ যুৱ শক্তিক দেশৰ গঠনমূলক কামত নিয়োজিত কৰিবৰ বাবে প্ৰধানমন্ত্ৰীৰ 'মাই ভাৰত এপ'ত পঞ্জীয়নৰ ব্যৱস্থা কৰা হৈছে। যিসকলে এই এপ'ৰ জৰিয়তে নিজৰ নাম পঞ্জীয়ন কৰিব বিচাৰে তেওঁলোকক ভৱিষ্যতৰ ৰাষ্ট্ৰ নিৰ্মাণৰ কামত জড়িত হ'ব পাৰিব। তেওঁ কয় যে সামাজিক কাম-কাজ কৰিবলৈ মনত বহু ইচ্ছা থকা দেশৰ যুৱ সমাজে এই এপ'ত নাম পঞ্জীয়ন কৰি বিভিন্ন চৰকাৰী আঁচনিৰ লগত জড়িত হ'ব পাৰিব। মুখ্যমন্ত্ৰীয়ে কয় যে প্ৰথম অৱস্থাত অসমৰ বানপানীত ক্ষতিগ্ৰস্ত লোকসকলৰ বাবে কোনো ধৰণৰ বীমা আঁচনি নাছিল। অসম চৰকাৰে ফচল বীমা যোজনাৰ অধীনত 10 লাখ কৃষকক 350 কোটি টকা ইতিমধ্যে আদায় দিছে। তদুপৰিî2023-24 চনত ৰাজ্য চৰকাৰে 205 কোটি টকা ফচল বীমা আঁচনিৰ অধীনত বানপানীত ক্ষতিগ্ৰস্ত হোৱা কৃষক সকলক ঘূৰাই দিছে।

বিকশিত ভাৰত সংকল্প যাত্ৰাত বৰপেটা, ধুবুৰী, গোৱালপাৰা আদি অঞ্চলত যথেষ্ট সহাঁৰি পাবলৈ সক্ষম হৈছে বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে উজ্জ্বলা আঁচনিৰ বিষয়ে কয় যে এই আঁচনিৰ অধীনত 900 টকাৰ চিলিণ্ডাৰ 700 টকাত দি থকা হৈছে যদিও একাংশ লোকে নাম পঞ্জীয়ন কৰিব নিবিচৰাৰ কাৰণে এই সুবিধাৰ পৰা বঞ্চিত হৈ আছে। আজি এই বিকশিত সংকল্প যাত্ৰাত জনসাধাৰণে প্ৰধানমন্ত্ৰী মোদীৰ প্ৰতিটো আঁচনিৰ বিষয়ে ভালদৰে জানি লৈ নাম পঞ্জীয়ন কৰিলে ভৱিষ্যতে উপকৃত হ'ব পাৰিব বুলিও তেওঁ কয়। তেওঁ লগতে কয় যে ৰেচন কাৰ্ড থকা সকলোৱে আয়ুষ্মান কাৰ্ডৰ জৰিয়তে Â5 লাখ টকাৰ বিনামূলীয়া চিকিৎসা লাভ কৰিব। যিসকল লোকৰ ৰেচন কাৰ্ড নাই তথা তেওঁলোকৰ বাৰ্ষিক আয় চাৰি লাখ টকাতকৈ কম তেওঁলোকক নতুন কৈ ৰেচন কাৰ্ড দিয়া হ'ব বুলি উল্লেখ কৰি তেওঁ কয় যে অহা মাহত চৰকাৰে 10 লাখ লোকক নতুনকৈ ৰেচন কাৰ্ড বিতৰণ কৰিব। ৰাজ্য চৰকাৰে 2140 টকা ধান ক্ৰয় কৰি আছে বুলিও উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে ধানৰ খেতি বৃদ্ধিত গুৰুত্ব আৰোপ কৰে। বিভিন্ন চৰকাৰী আঁচনিৰ সুবিধা যাতে সৰ্বসাধাৰণ ৰাইজে লাভ কৰিব পাৰে সেই উদ্দেশ্যেৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বিকশিত ভাৰত সংকল্প যাত্ৰা লৈ আহিছে বুলি মুখ্যমন্ত্ৰীয়ে ভাষণত মন্তব্য কৰে।

অনুষ্ঠানত পৰিৱেশ আৰু বন আদি বিভাগৰ মন্ত্ৰী তথা কামৰূপ জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, বিধায়ক হেমাঙ্গ ঠাকুৰীয়া, জিলা আয়ুক্ত কীৰ্তি জ্জলী, ভাৰতীয় জনতা পাৰ্টিৰ জিলা সভাপতি অঞ্জন গোস্বামী, জিলা প্ৰভাৰী অৰ্নিবাণ গোস্বামী প্ৰমূখ্যে গণ্যমান্য ব্যক্তি উপস্থিত থাকে।

# ছাত্ৰ-ছাত্ৰীলৈ মুখ্যমন্ত্ৰীৰ বাৰ্তা, অধ্যয়নমুখী হওক

(তৃতীয় পৃষ্ঠাৰ পৰা)বাস্তৱায়িত কৰিবলৈও কয়। প্ৰতিগৰাকী ছাত্ৰই নিজৰ নিৰ্বাচিত ক্ষেত্ৰত সফলতা লাভ কৰিবলৈ প্ৰয়াস চলাব লাগিব বুলি মন্তব্য কৰি তেওঁ লগতে কয় যে বিদ্যাৰ্থী সমাজে নিজকে উপযুক্ত মানৱ সম্পদ হিচাপে গঢ়ি তুলি দেশ তথা ৰাজ্যলৈ ইতিবাচক অৰিহণা আগবঢ়াব লাগিব।

মুখ্যমন্ত্ৰীয়ে ৰ'য়েল গ্লবেল ইউনিভাৰ্চিটিৰ পৰিচালনা সমিতি তথা শিক্ষক সমাজক প্ৰকৃত মানৱ সম্পদ গঢ়াৰ দিশত অধিক দৃঢ়তাৰে কাম কৰিবলৈ আহ্বান জনায় যাতে সমাজে গৌৰৱবোধ কৰিব পৰা মানৱ সম্পদৰ সৃষ্টি হ'ব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে বিদ্যাৰ্থী সমাজে তেওঁলোকৰ ক্ষেত্ৰসমূহত উজলি উঠিব পৰাকৈ শক্তিশালী শৈক্ষিক বাতাৱৰণ গঢ়ি তুলিব লাগিব।

ৰ'য়েল গ্লবেল ইউনিভাৰ্চিটিৰ আচাৰ্য ড০ এ কে পানচাৰী, উপাচাৰ্য অধ্যাপক এছ পি সিঙে ভাষণ প্ৰদান কৰা অনুষ্ঠানত বিশ্ববিদ্যালয়খনৰ শিক্ষাগুৰু, ছাত্ৰ-ছাত্ৰী আৰু অন্যান্য গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

# ডিব্ৰুগড়ত বিজ্ঞান সমিতিৰ উদ্যোগত জয়শ্ৰী মেধি স্মৃতি বক্তৃতানুষ্ঠান সম্পন্ন

তৃতীয় পৃষ্ঠাৰ পৰা)আৰু ড ঃ পৰমানন্দ মহন্তই। সভাপতিৰ মন্তব্যত ড ঃ ভাৰতী দত্তই প্ৰয়াত জয়শ্ৰী মেধিৰ সৈতে ছাত্ৰী অৱস্থাতে থকা সম্পৰ্কৰ কথা সোঁৱৰে। সমাজত প্ৰচলিত অন্ধবিশ্বাসৰ উদাহৰণ দি বিজ্ঞান মানসিকতা গঢ়ি তোলাত আটাইয়ে গুৰুত্ব আৰোপ কৰে। সভাৰ অন্তত শলাগৰ শৰাই আগবঢ়ায় সমিতিৰ উপসভাপতি ড ঃ ৰঞ্জিত সিংহই।

# বিটিআৰ মিত্ৰজোঁট চৰকাৰৰ ৩ বছৰ



(পঞ্চদশ পৃষ্ঠাৰ পৰা) ৰূপায়ণৰ পদক্ষেপ লৈছে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে প্ৰাক্তন এনডিএফবি কেডাৰক আৰ্থিক অনুদান প্ৰদান, 274 টাতকৈ অধিক গোচৰ প্ৰত্যাহাৰ, বড়োলেণ্ড আন্দোলনৰ শ্বহীদৰ পৰিয়ালসমূহক এককালীন আৰ্থিক সাহায্য প্ৰদান আদিৰ কথা উল্লেখ কৰে। মুখ্যমন্ত্ৰীয়ে কয় যে আজি অসম চৰকাৰ আৰু বিটিআৰ পৰিষদীয় চৰকাৰৰ যৌথ প্ৰচেষ্টাৰে বিটিআৰ অঞ্চলটো আত্মনিৰ্ভৰ অঞ্চলৰূপে গঢ়ি তোলাৰ দিশত বিশেষ গুৰুত্ব আৰোপ কৰিছে। তেওঁ লগতে কয় যে অঞ্চলটো পশু খাদ্য উৎপাদনৰ দিশত আত্মনিৰ্ভৰশীল কৰি ভাৰতবৰ্ষৰ বিভিন্ন অঞ্চলৰ লগতে চুবুৰীয়া দেশলৈ পশুখাদ্যৰ ৰপ্তানিকাৰক হিচাপে গঢ়ি তুলিবলৈ পদক্ষেপ গ্ৰহণ কৰা হৈছে। তেওঁ কয় যে আত্মনিৰ্ভৰশীল অসম গঢ়াৰ যি কৰ্মযজ্ঞত বৰ্তমানৰ চৰকাৰ জড়িত হৈছে তাক বাস্তৱায়িত কৰাত বিটিআৰবাসীয়ে গুৰুত্বপূৰ্ণ ভূমিকা ল'ব লাগিব। অঞ্চলটো বিকাশৰ চৰম শিখৰলৈ লৈ যোৱাৰ বাবে বিটিআৰবাসী অংগীকাৰবদ্ধ হ'ব লাগিব বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আজি হাতত অস্ত্ৰ লোৱাৰ প্ৰয়োজন নাই, এতিয়া প্ৰয়োজন মাথো শিক্ষা গ্ৰহণৰ। মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমানৰ ৰাজ্য চৰকাৰে যুৱপ্ৰজন্মৰ আশা-আকাংক্ষা বাস্তৱায়িত কৰিবলৈ তেওঁলোকৰ উদ্ভাৱনী আৰু উদ্যমিতাৰ বিকাশ সাধন কৰিবলৈ পদক্ষেপ লৈছে।

মুখ্যমন্ত্ৰীয়ে বিজনীৰ বাবে এখন আদৰ্শ মহাবিদ্যালয় আৰু বিজনী মহকুমাৰ পথসমূহৰ উন্নয়ন সাধন কৰাৰ কথাও ঘোষণা কৰে।

আজিৰ এই অনুষ্ঠানত গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা আদি বিভাগৰ মন্ত্ৰী অশোক সিংহল, হস্ততাঁত আৰু বস্ত্ৰ শিল্প আদি বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্ম, বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়ো, বিটিআৰৰ উপ-মুখ্য কাৰ্যবাহী সদস্য গোবিন্দ চন্দ্ৰ বসুমতাৰী, বিটিআৰৰ অধ্যক্ষ কাতিৰাম বড়ো প্ৰমুখ্যে কেইবাগৰাকী বিধায়ক আৰু বিটিআৰৰ কাৰ্যবাহী সদস্য উপস্থিত থাকে।

# ২৩ - ২৫ ডিচেম্বৰত চপাই বিনোৱা প্ৰাথমিক বিদ্যালয়ৰ ১২৫ বছৰীয়া জয়ন্তী

তৃতীয় পৃষ্ঠাৰ পৰা)অৱসৰপ্ৰাপ্ত অধ্যক্ষ দিনেশ্বৰ ডেকাই উদ্বোধন কৰিবলগীয়া সাংস্কৃতিক অনুষ্ঠান পৰিচালনা কৰিব চপাই গাঁও পঞ্চায়তৰ সভাপতি বিজু শৰ্মা ভট্টাচাৰ্য আৰু দৰঙী কলা কৃষ্টিৰ অন্যতম সাধক নীলকান্ত ডেকাই। দিনৰ এক বজাত উদযাপন সমিতিৰ সভাপতি ডা ঃ অৰবিন্দ ডেকাৰ সভাপতিত্বত অনুষ্ঠিত হ'বলগীয়া মুকলি সভা উদ্বোধন কৰিব নগাঁৱৰ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ অধ্যাপক ড ঃ বিজয় কুমাৰ শৰ্মাই। কাজিৰঙাৰ চৰকাৰী আদৰ্শ মহাবিদ্যালয়ৰ সহকাৰী অধ্যাপিকা ড ঃ গীতিকা চহৰীয়া নিৰ্দিষ্ট বক্তা হিচাপে ভাষণ দিবলগীয়া এই সভাত শিক্ষামন্ত্ৰী ৰণোজ পেগু, সাংসদ দিলীপ শইকীয়া, বিধায়ক বসন্ত দাস, মীন উন্নয়ন নিগমৰ অধ্যক্ষ গুৰুজ্যোতি দাস, জিলা আয়ুক্ত মুনীন্দ্ৰ নাথ ঙাটে, বিদ্যালয় সমূহৰ উপপৰিদৰ্শক আইজুৰ ৰহমান আৰু দৰং জিলা সাহিত্য সভাৰ উপসভাপতি ধীৰেন্দ্ৰ নাথ শৰ্মা অতিথি হিচাপে অংশগ্ৰহণ কৰিব। সন্ধিয়া পুৰোহিত ভবেন শৰ্মাই বন্তি প্ৰজ্বলন কৰাৰ পিছত উদ্যোগপতি অনুপম ডেকাই সাংস্কৃতিক অনুষ্ঠান উদ্বোধন কৰিব। সাংস্কৃতিক অনুষ্ঠানৰ বিশেষ আকৰ্ষণ- জনপ্ৰিয় শিল্পী চয়নিকা বৈশ্য আৰু ধ্ৰুৱজ্যোতি বৈশ্য।

# বিটিআৰ মিত্ৰজোঁট চৰকাৰৰ ৩ বছৰ




**বৰ্তমান সংবাদ ঃ** 'বড়োলেণ্ড টেৰিটৰিয়েল ৰিজনে (বিটিআৰ) আজি শক্তিশালী বিকাশৰ দিশেৰে আগুৱাই গৈছে। বিটিআৰ চুক্তিয়ে এই অঞ্চলটোত শান্তি আৰু সম্প্ৰীতিৰ এটা নতুন যুগৰ সূচনা কৰিছে।' বিটিআৰৰ বৰ্তমানৰ মিত্ৰজোঁট চৰকাৰৰ তিনি বছৰীয়া পূৰ্তি উপলক্ষে আজি বিজনী ক্ৰীড়া সন্থাৰ খেলপথাৰত আয়োজিত বিশাল জনসভাত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই এইদৰে কয়। মুখ্যমন্ত্ৰীয়ে আজি তৃতীয় বড়ো শান্তি চুক্তিৰ অধীনত প্ৰায় 116 কোটি টকা ব্যয়ৰে ৰূপায়ণ কৰিবলগীয়া 6 টা প্ৰকল্প আভাসীয়ভাৱে আধাৰশিলা স্থাপন কৰে। আধাৰশিলা স্থাপন কৰা প্ৰকল্পকেইটা হৈছে- কোকৰাঝাৰ জিলাৰ পৰ্বতঝাৰাত পলিটেকনিক আৰু ভকেশ্যনেল ইনষ্টিটিউট, কোকৰাঝাৰৰ আমগুৰিত বীৰছা মুণ্ডা কমপ্লেক্স, তামুলপুৰত পেৰামেডিকেল আৰু নাৰ্ছিং সেৱাৰ ইনষ্টিটিউট, বাক্সা জিলাৰ গোবৰ্ধনাত পলিটেকনিক আৰু ভকেশ্যনেল ইনষ্টিটিউট, গৱেষণাগাৰৰ সৈতে গোৰ্খা ভৱন আৰু ওদালগুৰিত পেৰামেডিকেল আৰু নাৰ্ছিং সেৱাৰ ইনষ্টিটিউট।

মুখ্যমন্ত্ৰীয়ে কয় যে 2020 চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ নেতৃত্বত স্বাক্ষৰিত বিটিআৰ চুক্তিৰ ফলত অঞ্চলটোৰ শান্তি-সম্প্ৰীতিৰ এক নতুন অধ্যায়ৰ সূচনা হৈছে। শান্তিপূৰ্ণ এই পৰিৱেশৰ বাবে বিটিআৰৰ মুখ্য কাৰ্যবাহী সদস্য প্ৰমোদ বড়োৰ নেতৃত্বত বিটিআৰৰ মিত্ৰজোঁট চৰকাৰে অঞ্চলটোত উন্নয়নৰ নতুন প্ৰৱাহ বোঁৱাই আনিছে। মহান জাতীয়তাবাদী নেতা বড়ো জাতিৰ অন্যতম পথিকৃৎ উপেন্দ্ৰনাথ ব্ৰহ্মৰ প্ৰতি শ্ৰদ্ধা জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে তেওঁৰ প্ৰচেষ্টাতে বড়োসকলৰ আত্মনিয়ন্ত্ৰণৰ আন্দোলনে শক্তিশালী ৰূপ ধাৰণ কৰিছিল। অসমৰ বৰ্ণাঢ্য সমাজ জীৱনৰ অবিচ্ছেদ্য অংগ বড়োসকল এক সমৃদ্ধ আৰু লোকজীৱনৰ অধিকাৰী বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে কামৰূপ, প্ৰাগজ্যোতিষপুৰ পিছলৈ অসম নামেৰে জনাজাত এই ঐতিহাসিক ভূখণ্ডত বড়োসকলৰ কেইবাশ বছৰীয়া সাংস্কৃতিক ইতিহাস ঠাইঁ খাই আছে। তেওঁ কয় যে এক কৰ্মঠ জনগোষ্ঠী হিচাপে পৰিচিত বড়োসকলৰ গতিশীল চেতনাই অসমীয়া জাতিৰ প্ৰাণ সঞ্জীৱিত কৰিছে। কেইবাগৰাকী পুৰোধা ব্যক্তিৰ কৰ্ম আৰু জীৱন দৰ্শনে বড়ো জাতিক সদায়ে প্ৰেৰণা যোগাই আহিছে বুলিও তেওঁ মন্তব্য কৰে।

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে বড়ো জাতিৰ নায্য আন্দোলনক মান্যতা প্ৰদান কৰি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ নেতৃত্বত কেন্দ্ৰীয় চৰকাৰ, ৰাজ্য চৰকাৰ আৰু বড়ো জনজাতীয় সংগঠনৰ মাজত স্বাক্ষৰিত চুক্তিয়ে শান্তি আৰু উন্নয়নৰ যাত্ৰা আৰু অধিক ত্বৰান্বিত কৰি তুলিলে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অঞ্চলটোত চিৰস্থায়ী শান্তি প্ৰতিষ্ঠাৰ বাবে যি ঐতিহাসিক পদক্ষেপ গ্ৰহণ কৰিলে তাৰ ফলত বড়ো জাতিৰ আৰ্থ-সামাজিক আৰু ৰাজনৈতিক দিশত পৰিৱৰ্তনৰ জোৱাৰ আহিছে। মুখ্যমন্ত্ৰীয়ে কয় যে সম্প্ৰীতি মিত্ৰজোঁটৰ চৰকাৰৰ দিনত বড়ো ভূমিত হিংসা আৰু অস্থিৰতাৰ অৱসান হৈছে। আনহাতে শান্তি-সম্প্ৰীতি আৰু উন্নয়নৰ নৱযুগৰ সূচনা হৈছে। আজিৰ নৱপ্ৰজন্মই কৰ্মৰ জৰিয়তে বড়ো ভূমিৰ পৰিৱৰ্তন সাধন কৰিবলৈ আগুৱাই আহিছে।

মুখ্যমন্ত্ৰীয়ে কয় যে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰে বিটিআৰ চুক্তিৰ প্ৰতিটো দফা সম্পূৰ্ণৰূপে (চতুৰ্দশ পৃষ্ঠালৈ)

## দিক্ষা জে আৰ চন্দৰ শিৰত চেম্পিয়ণৰ খিতাপ

**বৰ্তমান সংবাদ, মঙলদৈ ঃ** যোগ চচাইটি অৱ নৰ্থ ইষ্টৰ উদ্যোগত গুৱাহাটীৰ নৰ্থ ইষ্ট যোগ চেণ্টাৰত অনুষ্ঠিত সদৌ অসম প্ৰাইজমানি যোগাসন স্পৰ্ধ্বছ চেম্পিয়নশ্বিপত মঙলদৈৰ দৃক্ষা জে আৰ চন্দই ছোৱালী শাখাত চেম্পিয়ন অৱ দ্য চেম্পিয়ন খিতাপ লাভ কৰিছে। গুৰুকুল গ্ৰুপ অৱ ইডুকেচনেল উইঙৰ পঞ্চম শ্ৰেণীৰ ছাত্ৰী দিক্ষা জে আৰ চন্দ মঙলদৈ নিবাসী জয়ন্ত কুমাৰ চন্দ আৰু ৰুণুমী প্ৰিয়া দেৱীৰ কন্যা। দিক্ষাৰ এনে সাফল্যত শিক্ষানুষ্ঠান খনৰ সঞ্চালক দুৰ্লভ সৰকাৰ আৰু অধ্যক্ষ সংগীতা অধিকাৰী সৰকাৰে অভিনন্দন জ্ঞাপন কৰিছে।

















DB Business Hub
(CO-WORKING SPACES)
House No. 67, Rajgarh Main Road, Opposite Bye Lane No 8,
Guwahati Assam 781003

+91 91270 75133 BOOKING OPEN


ASOMIYA BARTAMAN, Printed,Owned and Published by Prabin Thakuria and printed at Pee Gee (India) limited, Kalapahar, Guwahati-16 & Published at WEST BORAGAON, BAKULNAGAR, PO- MALIGAON, DIST- KAMRUP (M), GUWAHATI-781011, ASSAM , Editor : **Prabin Thakuria**

স্বত্বাধিকাৰী প্ৰবীণ ঠাকুৰীয়াৰ দ্বাৰা সম্পাদিত, প্ৰকাশিত আৰু মুদ্ৰিত আৰু পি জি (ইণ্ডিয়া) লিমিটেড, কালাপাহাৰ, গুৱাহাটী-১৬ত মুদ্ৰিত, কাৰ্যালয়ঃ পশ্চিম বৰগাঁও, বকুল নগৰ, কামৰূপ(ম), গুৱাহাটী-১১,অসম

সম্পাদনা উপদেষ্টা ঃ ড° যতীন বৰুৱা Contact No.- +91 9957192594, E-mail : asomiyabartaman@gmail.com ■ সম্পাদক ঃ প্ৰবীণ ঠাকুৰীয়া